## প্ৰথম অধ্যায়

# গৰীয়সীৰ সাহিত্যসমগ্ৰৰ বিষয়বস্তু

## প্ৰথম অধ্যায়

# গৰীয়সীৰ সাহিত্যসমগ্ৰৰ বিষয়বস্তু

আৰম্ভণিৰে পৰা একবিংশ শতিকাৰ প্ৰথম দশক (১৯৯৩-২০১০) পৰ্যন্ত ‘গৰীয়সী’ আলোচনীত প্ৰকাশিত সাহিত্যসমগ্ৰ একে সময়তে সৃষ্টিশীল আৰু বিদ্যায়তনিক উভয় ধাৰাৰে পৰিপুষ্ট। ২০১০ চনৰ পৰৱৰ্তী সময়তো আলোচনীখনে গল্প, কবিতা, উপন্যাস আদি সৃষ্টিশীল সাহিত্য ৰচনাত যিদৰে পূৰ্বৰ গুৰুত্ব অব্যাহত ৰাখিছে, বিদ্যায়তনিক আলোচনা, গৱেষণামূলক লেখা আদি প্ৰকাশৰ ক্ষেত্ৰতো তেনেদৰে পূৰ্বতকৈ এখোজ আগবাঢ়িহে গৈছে। অতি সাম্প্ৰতিকত আনকি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-গৱেষক আদিৰ দ্বাৰা ৰচিত গৱেষণা পত্ৰ (Research Paper)কো ‘গৰীয়সী’ৰ সাহিত্যসমগ্ৰৰ বিষয়বস্তুত অন্তৰ্ভুক্ত কৰা হৈছে। বিদ্বৎ সমাজত আলোচনীখনৰ গুৰুত্ব গৱেষণা ক্ষেত্ৰত নতুনৰ মাৰ্গ দৰ্শনত ‘গৰীয়সী’ৰ এয়া যুগান্তকাৰী পদক্ষেপ।

পৃথিৱীৰ যিকোনো সাহিত্যতে আলোচনী এখনৰ বিষয়বস্তু সদায় একে হৈ নাথাকে। স্থান, কাল, পাত্ৰ, পাঠকৰ ৰুচি, সামাজিক-সাংস্কৃতিক পৰিৱৰ্তন আদিয়ে আলোচনী এখনৰ বিষয়বস্তুক প্ৰভাৱান্বিত আৰু পৰিৱৰ্তিত কৰে। সম্পাদকৰ দৃষ্টিভংগীয়েও আলোচনী একোখনৰ বিষয়বস্তু আৰু গাঁথনিগত পৰিৱৰ্তন সাধন কৰে। অৱশ্যে এই পৰিৱৰ্তনে যে আলোচনীখনৰ জুমুঠিটোকেই (Originality) শেষ কৰি দিয়ে এনে নহয়। মূলক অক্ষুন্ন ৰাখিও সাহিত্যিক চিন্তাধাৰা আৰু পাঠকৰ মনোজগতৰ উপযোগীকৈ নতুন সম্পাদকসকলে প্ৰয়োজনসাপেক্ষে ন ন বিষয় সংযোগ কৰে। সমাজ পৰিৱৰ্তনশীল। সামাজিক পৰিৱৰ্তনৰ সৈতে সংগতি ৰাখি মূল সত্তাক নেহেৰুৱাই নতুন ৰূপত উপস্থাপিত হ’লে আলোচনী এখনৰ গুৰুত্ব নিঃশেষ নহয়, বৰং যুগসাপেক্ষে ই অধিক জনপ্ৰিয়হে হৈ উঠে।

সুদীৰ্ঘ বত্ৰিশ বছৰীয়া যাত্ৰাত আমাৰ আলোচ্য ‘গৰীয়সী’য়েও বিষয়বস্তুগত দিশত নানানটা স্তৰ আৰু পৰিৱৰ্তন পৰিভ্ৰমী আহিছে। গৱেষণা, চিন্তন আৰু সৃষ্টিশীলতাৰ প্ৰতি গুৰুত্ব ‘গৰীয়সী’ৰ প্ৰতিটো সংখ্যাৰ বিশেষত্ব যদিও বিগত সময়ছোৱাত বিষয়বস্তুলৈকো নানানটা পৰিৱৰ্তন কঢ়িয়াই আনিছে। আৰম্ভণিৰ সময়ছোৱাত আলোচনীখনে মূলতঃ প্ৰবন্ধ, ধাৰাবাহিক উপন্যাস, গল্প, কবিতা,

বিশিষ্ট সাহিত্যিকসকলৰ সাহিত্যিক চিন্তাধাৰাৰ প্ৰকাশ আদি বিষয়ত অধিক গুৰুত্ব প্ৰদান কৰিছিল যদিও বৰ্তমান সময়ত তেনেবোৰ বিষয়ৰ উপৰিও বিশ্বসাহিত্য, বিজ্ঞান, পৰিৱেশ সমালোচনা, ডিজিটেল সাহিত্য, আন্তঃ সাহিত্যিক আৰু সাংস্কৃতিক সম্পৰ্ক, লৈংগিক সমতা, নতুন প্ৰজন্মৰ অংশগ্ৰহণ আদি দিশসমূহক 'গৰীয়সী'ত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। অৱতৰণিকাত ইতিমধ্যে এই কথা উল্লেখ কৰি অহা হৈছে যে আৰম্ভণিৰে পৰা বৰ্তমান পৰ্যন্ত মুঠ পাঁচগৰাকী সম্পাদকৰ স্পৰ্শৰে 'গৰীয়সী' সম্পাদিত হৈছে। পাঁচোগৰাকী সম্পাদকৰ ব্যক্তিগত চিন্তা-চেতনা, সাহিত্যক ৰুচি, দৃষ্টিভংগী আদিয়ে 'গৰীয়সী'ক ন ন সজ্জা প্ৰদান কৰিছে। লেখক বাছনি, প্ৰবন্ধৰ ধৰণ, ভাষাশৈলী, গদ্যভংগী আদিৰ পৰিৱৰ্তনতো সম্পাদকৰ ভূমিকা থাকে। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ কাৰ্যকালত 'গৰীয়সী'য়ে ঘাইকৈ চিন্তাশীল প্ৰবন্ধ প্ৰকাশত বিশেষ গুৰুত্ব দিছিল। আকৌ হৰেকৃষ্ণ ডেকা, লক্ষ্মীনন্দন বৰা আদিৰ সম্পাদনাত আলোচনীখনে সমাজ-সংস্কৃতিকেন্দ্ৰিক গল্প-প্ৰবন্ধ, বিশ্ব সাহিত্যৰ অনুবাদ, শব্দ শিক্ষা আদিত অধিক দৃষ্টি নিক্ষেপ কৰিলে। বৰ্তমানৰ সম্পাদক ৰীতা চৌধুৰীয়ে নতুন লেখকসকলৰ অংশগ্ৰহণ, ই-সাহিত্য, ডিজিটেল যুগে সাহিত্যক্ষেত্ৰলৈ নমাই অনা পৰিৱৰ্তন আদি প্ৰসংগৰ প্ৰকাশত ব্যাপকভাৱে মনোনিৱেশ কৰিছে। বিভিন্ন সম্পাদকৰ হাতৰ বুলনিত হোৱা এনে পৰিৱৰ্তনে কিন্তু 'গৰীয়সী'ৰ গৰিমা কোনোগুণে ম্লান কৰা নাই, বৰঞ্চ প্ৰতিদিনে আলোচনীকখনক অধিক জীৱন্তহে কৰি লৈ গৈ আছে। এনেদৰে 'গৰীয়সী'ৰ বত্ৰিশবছৰীয়া যাত্ৰাত বিষয়বস্তুগত দিশসমূহৰ গতি প্ৰকৃতি সম্পৰ্কে আভাস এটা দিয়াৰ পিছত এতিয়া আমি প্ৰথম সোতৰ বছৰ (১৯৯৩-২০১০)ত 'গৰীয়সী'ত প্ৰকাশিত সাহিত্যসমগ্ৰৰ বিষয়বস্তু সম্পৰ্কে সুকীয়া সুকীয়াকৈ আলোচনা কৰিম।

**দৃষ্টিকোণ ঃ**

'গৰীয়সী'ৰ প্ৰথম সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াই সম্পাদকীয় পৃষ্ঠাটোক 'দৃষ্টিকোণ' নামকৰণ কৰিছিল। শইকীয়াই সঠিকভাৱে উপলব্ধি কৰিছিল যে 'সম্পাদকীয়' পৃষ্ঠাটোৱেই হৈছে এখন কাকত বা আলোচনীৰ 'নাভিৰন্ধ্ৰ'। পাঠকৰ চিন্তাক উদ্দীপিত কৰি আলোচনীখনৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ হ'লে কেৱল গল্প, কবিতা, উপন্যাসাদিৰ পয়োভৰ ঘটালেই নহ'ব, 'সম্পাদকীয়' পৃষ্ঠাৰ জৰিয়তে আলোচনীখনৰ মূল চিন্তাধাৰা বা দৰ্শনক প্ৰতিফলিত কৰিবও পাৰিব লাগিব। সমাজ, সংস্কৃতি,

অৰ্থনীতি, ৰাজনীতি, পৰিৱেশ আদি সমসাময়িক বিষয়বস্তু সম্পৰ্কীয় চিন্তা-চেতনা মননশীল আৰু প্ৰেৰণামূলকভাৱে 'সম্পাদকীয়' পৃষ্ঠাত অন্তৰ্ভুক্ত কৰাৰ দৰকাৰ। গভীৰতা আৰু তথ্যনিষ্ঠতাইহে 'সম্পাদকীয়' পৃষ্ঠাক উৎকৃষ্ট কৰি তুলিব পাৰে। চিন্তাশীলতা, যুক্তি আৰু ভাষাৰ চাতুৰ্যৰ সন্মিলিত সহাৱস্থানেৰে 'সম্পাদকীয়'ই আলোচনী আৰু পাঠকৰ যোগসূত্ৰ ৰক্ষা কৰিব পাৰে। 'সম্পাদকী'য়ৰ এনেবোৰ গুৰুত্ব সঠিকভাৱে অনুধাৱন কৰিয়েই শইকীয়াই 'গৰীয়সী'ৰ সম্পাদকীয় পৃষ্ঠাটোক 'দৃষ্টিকোণ' নামেৰে অভিহিত কৰিছে আৰু বৰ্তমানলৈকে এই 'দৃষ্টিকোণ' অব্যাহত আছে।

'দৃষ্টিকোণ'ত প্ৰকাশিত সম্পাদকীয়বোৰত তথ্যৰ গভীৰতা আৰু সমাজ সচেতনতাৰ স্বাক্ষৰ স্পষ্ট। ভাষাৰ শুদ্ধতাকো ইয়াত বিশেষ গুৰুত্ব দিয়া হৈছে। সমাজ, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, শিক্ষানীতি, পৰিৱেশ, বিশ্বসাহিত্য, সমসাময়িক ঘটনাৱলী আদি প্ৰাসংগিক বিষয় আৰু প্ৰেক্ষাপটক 'দৃষ্টিকোণ'ত স্থান দিয়া দেখা গৈছে। অসমীয়া জাতীয় জীৱনৰ বটবৃক্ষস্বৰূপ 'অসম সাহিত্য সভা'ৰ অতীত গাঁথাক সোঁৱৰণ কৰি বৰ্তমান সময়ত যে সাহিত্য সভাৰ বিষয়ববীয়া-সদস্যসকলে সভাৰ গৰিমা অক্ষুন্ন ৰাখিব পৰা নাই, তাক 'দৃষ্টিকোণ'ৰ জৰিয়তে চন্দ্ৰপ্ৰসাদ শইকীয়াই ফঁহিয়াই দেখুৱাইছে। লগতে সাহিত্য সেৱাৰ ক্ষেত্ৰত সাহিত্য সভাৰ গুৰুত্ব আৰু কৰ্তব্য কেনে হোৱা উচিত, সেই বিষয়েও নিজৰ মত প্ৰকাশ কৰিছে এইদৰে-

> "এটা মাত্ৰ কাৰ্যত এই সাহিত্য সভাই নিজৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিব পাৰিলেহেঁতেন ঃ সেইটো হ'ল; এক বৃহৎ সংখ্যক অপৰিহাৰ্য গ্ৰন্থ প্ৰকাশ কৰি জাতীয় সাহিত্যক ই প্ৰভূতভাৱে সমৃদ্ধ কৰিব পাৰিলহেঁতেন। সেইটো কৰিব পৰা হ'লহেঁতেন ঃ এক অসমীয়া মানুহৰ ইতিহাসৰ (অসমৰ ইতিহাস নহয়) দৰে অসমীয়াৰ শ্ৰেষ্ঠতাৰ প্ৰকৃত পৰিচয়মূলক গ্ৰন্থ প্ৰকাশ কৰি; দ্বিতীয়তে, ৰাজ্যৰ সৰ্বত্ৰ সিঁচৰতি হৈ থকা অজস্ৰ হাতেলিখা পুথি উদ্ধাৰ কৰি তাৰ মাজৰ পৰা প্ৰাচীন, মধ্যযুগীয় অসমীয়াৰ প্ৰতিভা পুনৰুদ্ধাৰ কৰি; তিনি ভাৰতীয় সাহিত্য যিহেতু ভাৰতৰ এক, ভাৰতৰ বিভিন্ন ভাষাৰ শ্ৰেষ্ঠ গ্ৰন্থৰাশি অসমীয়ালৈ অনুবাদ কৰি; চাৰি, বিশ্বৰ এক সংখ্যক মহৎ গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰি আৰু পাঁচ, সকলো কালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া শংকৰদেৱক সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰি। (শইকীয়া, চন্দ্ৰপ্ৰসাদ। "অসম সাহিত্য সভা"। *গৰীয়সী*, মাৰ্চ ১৯৯৭, পৃ.২)

কেৱল চন্দ্ৰপ্ৰসাদ শইকীয়াই নহয়, 'গৰীয়সী'ৰ পৰৱৰ্তী সম্পাদকসকলেও 'দৃষ্টিকোণ'ত সাহিত্য সভাৰ দায়িত্ব আৰু কৰ্তব্যৰ আলোচনা অব্যাহত ৰাখিছে। 'দৃষ্টিকোণ'ত প্ৰকাশিত অসম সাহিত্য সভা বিষয়ক অন্যান্য কেতবোৰ লেখা হ'ল- 'সাহিত্য সভা আৰু দায়িত্ব' (মে' ২০০৮), 'অসম সাহিত্য সভাৰ গতি-প্ৰকৃতি' (নৱেম্বৰ ২০১০), 'সাহিত্য সভাৰ কাৰ্যপন্থাৰ বাছ-বিচাৰ' (ডিচেম্বৰ ২০১০) ইত্যাদি।

'গৰীয়সী'ৰ প্ৰতিগৰাকী সম্পাদকেই নতুন লেখক আৰু পঢ়ুৱৈ সৃষ্টিত বিশেষভাৱে গুৰুত্ব দিছিল। যিকোনো কাকত আলোচনীৰ দায়বদ্ধ সম্পাদকমাত্ৰেই এই কথা জ্ঞাত যে সাহিত্যিক ধাৰাক আগবঢ়াই নি নতুনত্বক আহ্বান জনাবলৈ ন-লেখকৰ সৃষ্টি অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। 'গৰীয়সী'ৰ প্ৰথম সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া এই ক্ষেত্ৰত বাৰুকৈয়ে সচেতন আছিল। প্ৰতিষ্ঠিত লেখকৰ কলমক জিৰণি ল'বলৈ নিদিয়া আৰু নতুন লেখকৰ অভ্যুত্থানত আগভাগ লোৱা শইকীয়াৰ বিষয়ে স্বয়ং হোমেন বৰগোহাঞিয়ে এনেদৰে মন্তব্য কৰিছে - "শইকীয়াই দীৰ্ঘকালজুৰি স্থবিৰ হৈ থকা এসময়ৰ শক্তিশালী এদল লেখকক পুনৰাই হাতত কলম তুলি ল'বলৈ বাধ্য কৰাইছিল। 'গৰীয়সী'ৰ জৰিয়তে চন্দ্ৰপ্ৰসাদ শইকীয়াই অতি গুৰুত্বপূৰ্ণ কাম এটা কৰিবলৈ সক্ষম হৈছিল। সেয়া হ'ল ষাঠী-সত্তৰৰ দশকত যিসকল সাহিত্যিকে অসমীয়া সাহিত্যৰ উত্তৰণত অহৰহ ব্ৰতী আছিল। 'গৰীয়সী'ৰ জৰিয়তে শইকীয়াই তেওঁলোকক সাহিত্য ক্ষেত্ৰখনলৈ পুনৰ ঘূৰাই আনিবলৈ প্ৰচেষ্টা আৰম্ভ কৰিছিল। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ ধাৰণা- বিশিষ্ট সাহিত্যিকসকল দীৰ্ঘসময় ধৰি নীৰৱ হৈ সাহিত্য ক্ষেত্ৰখনৰ পৰা আঁতৰি থাকিলে আমাৰ সাহিত্য ঐশ্বৰ্যৰ পৰা বঞ্চিত হ'ব আৰু উদীয়মান লেখকসকলক অনুপ্ৰেৰণা যোগোৱা মানুহ নাথাকিব।"[১] শইকীয়াৰ পৰৱৰ্তী সম্পাদকসকলে এই সত্যক মৰ্মে উপলব্ধি কৰি 'গৰীয়সী'ত যিমান পাৰে প্ৰবীণ লেখকসকলৰ লেখাক সংৰক্ষণ কৰিবলৈ আৰু নবীনসকলক সাহিত্য চৰ্চাৰ খোলা মঞ্চ এখন দিবলৈ যত্নপৰ হৈছিল। সাহিত্যৰ বিষয়বস্তুত নতুন কনটেণ্ট, চিন্তা-অভিব্যক্তি আদিৰ প্ৰকাশ ঘটাবলৈ হ'লে যে নতুন লেখক সৃষ্টি এক জৰুৰী প্ৰসংগ তালৈ লক্ষ্য ৰাখি 'দৃষ্টিকোণ'ত কেইবাটাও প্ৰবন্ধ প্ৰকাশ কৰা হৈছিল। তাৰ ভিতৰত কেইটামানৰ শিৰোনাম হ'ল ক্ৰমে- 'নতুন সাহিত্য চিন্তা' (মাৰ্চ ২০০৪), 'নতুন ৰচনাৰ আশাত' (ফেব্ৰুৱাৰী ২০০৫), 'সাহিত্য আৰু সাম্প্ৰতিক সময়' (মাৰ্চ ২০০৯) আদি।

ওপৰৰ প্ৰবন্ধসমূহত যে কেৱল ন-লিখকৰ আৱিষ্কাৰৰেই সন্ধান আছে এনে নহয়, ভিন্ন

ৰসৰ সাহিত্যচৰ্চাৰ জৰিয়তে যে এচাম পঢ়ুৱৈ সৃষ্টিও আলোচনী এখনৰ উদ্দেশ্য হোৱা উচিত, সেই সম্পৰ্কেও তথ্যনিষ্ঠ বিশ্লেষণ আছে। অসমৰ ঐতিহ্য, সাহিত্য আৰু সামাজিক ক্ষেত্ৰত যাউতিযুগীয়া খ্যাতি ৰাখি থোৱা ব্যক্তিবিশেষ, সমসাময়িক সমাজ-ৰাজনীতিৰ নিৰ্মোহ বিশ্লেষণ, ভাষা-সাহিত্যাদিৰ বিজ্ঞানসন্মত অধ্যয়ন, ভাষা-সাহিত্য-সংস্কৃতিৰ আন্তঃসম্পৰ্ক, সমকালীন সাহিত্য প্ৰৱণতা, সাংবাদিকৰ নীতি, সমাজ-সাংস্কৃতিক প্ৰসংগ, জাতীয় সংঘটন আৰু সমস্যা, স্থানীয় সাহিত্যৰ বিকাশ, বিশ্বসাহিত্যৰ স্বৰূপ, মহৎ চিন্তা, সাহিত্যিক প্ৰয়োগ, ভাষাৰ বিৱৰ্তন, জাতীয়তাবাদৰ উত্থান, শৈক্ষিক পৰম্পৰা আৰু পৰিৱৰ্তন আদি অলেখ বিষয়ক মূল হিচাপে লৈ 'দৃষ্টিকোণ' শিতানৰ জৰিয়তে 'গৰীয়সী'ৰ সম্পাদকগোষ্ঠীয়ে লেখক আৰু পঢ়ুৱৈ সমাজলৈ বাৰ্তা বহন কৰিছে।

**শব্দকল্প ঃ**

'গৰীয়সী'ৰ প্ৰতিষ্ঠাপক সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াই আৰম্ভণি সংখ্যাটোৰ পৰাই স্থান দিয়া আন এক উল্লেখযোগ্য শিতান হৈছে 'শব্দকল্প'। এই শিতানটো অৱশ্যে পৰৱৰ্তী সময়ত নিয়মীয়া ৰূপত ৰক্ষিত হোৱা দেখা নাযায়। কুৰিটাকৈ শব্দ সংযোজন কৰাৰ লগতে প্ৰতিটো শব্দৰ বিপৰীতে চাৰিটাকৈ সাম্ভাব্য অৰ্থ নিক্ষেপ কৰি পঢ়ুৱৈক আচল অৰ্থটো বিচাৰি লোৱাৰ সুযোগ প্ৰদানেৰে এই শিতানটোক সৃষ্টি কৰিছে। তাৰোপৰি আচল অৰ্থটো পৰৱৰ্তী কোনো এটি পৃষ্ঠাত সংযোজনৰ জৰিয়তে পঢ়ুৱৈৰ শব্দজ্ঞান সম্পৰ্কে থকা দখলক জুকিয়াই চোৱাৰ সুযোগ প্ৰদান কৰিছে। প্ৰথম বছৰ, প্ৰথম সংখ্যা, অক্টোবৰ ১৯৯৩ সংখ্যাটোত- অনিৰ্বচনীয়, অকৃতদাৰ, আকৰ্ণ, কান্তাৰ, বায়স, বিকৰ্তন, বিপ্ৰলব্ধ, অকিঞ্চন, অকিঞ্চিতকৰ, অনীক, কাদম্বৰী, কিংকৰ, কুবলয়, কেবেহুৱা, ঘোঁকোচ, চকাছন্দা, বেদান্ত, ভুৰুকিয়া ভৃঙ্গাৰ আৰু মৰ্কট— এই কুৰিটা শব্দৰ পৃষ্ঠা সংখ্যা ৮১ত ইয়াৰ আচল অৰ্থটো দি পঢ়ুৱৈৰ মনত দোলা দিয়া উত্তৰৰ সতে আচল অৰ্থৰ ভুল-শুদ্ধৰ বিচাৰ্যতাৰে এক আকৰ্ষণীয় সাহিত্যৰ খেলৰ সৃষ্টি কৰিছে। তাৰোপৰি পঢ়ুৱৈক নতুন নতুন শব্দৰ সতে চিনাকি কৰাই দিবলৈ সক্ষম হৈছে। পৰৱৰ্তী সময়ত 'গৰীয়সী'ৰ প্ৰথম বছৰ তৃতীয় সংখ্যা, প্ৰথম বছৰ চতুৰ্থ সংখ্যা আদিত এই শিতানটো চলি থাকিলেও পৰৱৰ্তী সময়ত অনিয়মীয়া হৈ পৰা দেখা যায়। তথাপি ক'ব পাৰি যে এই শিতানটোৱে পঢ়ুৱৈক সাহিত্যৰ

খেলৰ মাজলৈ আনি নতুন স্বাদ প্ৰদান কৰিবলৈ সক্ষম হৈছে।

**কবিতা ঃ**

আৰম্ভণি সংখ্যাটোৰ পৰাই ‘গৰীয়সী’ত প্ৰতিষ্ঠিত কবিসকলৰ কবিতাৰ উপৰিও নবীন শ্ৰেণীৰ কবিতায়ো আত্মপ্ৰকাশ লাভৰ সুবিধা পাইছিল। প্ৰথম সংখ্যাটোত নিৰ্মলপ্ৰভা বৰদলৈ, ৰবীন্দ্ৰ বৰা, কবীন ফুকন, অৰ্চনা পূজাৰী, দিনেশ গোস্বামী, অনুপমা বসুমতাৰী, নীলিম কুমাৰ আৰু ৰবীন্দ্ৰ সৰকাৰ- এই আঠগৰাকী কবিৰ কবিতা প্ৰকাশ পাইছিল। দ্বিতীয় সংখ্যাত হৰি বৰকাকতি, নাহেন্দ্ৰ পাদুন, গৌতম প্ৰসাদ বৰুৱা, মীৰা ঠাকুৰ, ৰাজীৱ বৰুৱা আৰু নাৰায়ণ জোৱাদ্দাৰ- এই ছয়গৰাকী কবিৰ কবিতাই নিজস্ব অভিব্যক্তিৰে প্ৰাণ পাই উঠিছিল। এই সময়ছোৱাত নবীন কবিসকলক কাব্য চৰ্চাৰ ধাৰাটোৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ অনুপ্ৰেৰণা দিয়াৰ লগতে উচ্চ মানদণ্ডসম্পন্ন কবিতাৰাজিক ‘গৰীয়সী’ত প্ৰকাশ কৰিবলৈ সুযোগ প্ৰদান কৰিছিল। এনে প্ৰসংগৰ বিষয়ে শইকীয়াই ‘গৰীয়সী“ ‘**নতুনৰ কবিতা**’ শীৰ্ষক ‘দৃষ্টিকোণ’ত লিখিছে এইদৰে—

> আমাৰ আলোচনীৰ এই সংখ্যাত ত্ৰিশগৰাকী নতুন কবিৰ কবিতা প্ৰকাশিত হৈছে। বৰ্তমান অসমীয়া কবিতাৰ ক্ষেত্ৰত এয়া এক তাৎপৰ্যপূৰ্ণ ঘটনা বুলি আমাৰ বিশ্বাস দৃঢ়। সহৃদয় পাঠকে এইখিনি কবিতাৰ মাজেৰে আমাৰ ভাষাৰ নতুন কাব্য-প্ৰতিভাৰ বিষয়ে এক বিশ্লেষণাত্মক ধাৰণা কৰিব পাৰিব। এই কবিসকল বয়সত নিতান্ত কণিষ্ঠ, কবিতাৰ জগতত তেওঁলোকৰ সৰহভাগে সদ্যহতে প্ৰৱেশ কৰিছেহে, মহত্তৰ জীৱন, দেশ আৰু জগতৰ বিষয়ে তেওঁলোকৰ অভিজ্ঞতা সামান্য নহ’লেও অল্প। সৰ্বপ্ৰথমে তেওঁলোকে এই কথা হৃদয়েৰে উপলব্ধি কৰাটো অপৰিহাৰ্য যে কবিতা হ’ল সাহিত্য সংস্কৃতিৰ সৰ্বশ্ৰেষ্ঠ অভিব্যক্তি, যাক ক’ব পাৰি সাহিত্যৰ নিৰ্যাস; কবিতা হ’ল সমস্ত সাহিত্যৰ জীৱনীশক্তি; এটা ভাষাৰ কবিতাৰ ব্যঞ্জনাৰ মাজেৰে সেই ভাষাৰ সাহিত্যৰ মহত্ত্ব অনুধাৱন কৰিব পাৰি।
>
> (শইকীয়া, চন্দ্ৰপ্ৰসাদ। “নতুনৰ কবিতা”। *গৰীয়সী*, ডিচেম্বৰ ১৯৯৭)

‘গৰীয়সী’ৰ কবিতা শিতানক সম্পাদকগোষ্ঠীয়ে দিয়া গুৰুত্বৰ বিষয়ে প্ৰতি বৰ্ষৰ এপ্ৰিলৰ

‘বসন্ত উৎসৱ সংখ্যা’ আৰু অক্টোবৰ মাহৰ ‘শাৰদীয় সাহিত্য সম্ভাৰ’ সংখ্যাৰ পৰাই বুজিব পাৰি। ১৯৯৭ চনৰ এপ্ৰিল আৰু অক্টোবৰ সংখ্যাত ক্ৰমে ১১ আৰু ৩০ গৰাকী কবিৰ কবিতা, ২০০১ চনৰ এপ্ৰিল সংখ্যাত ২৩ গৰাকী কবিৰ কবিতা, ২০০২ চনৰ এপ্ৰিল আৰু অক্টোবৰ সংখ্যাত ক্ৰমে ৩৯ আৰু ৩২ গৰাকী কবিৰ কবিতা, ২০০৬ চনৰ এপ্ৰিল আৰু অক্টোবৰ সংখ্যাত ক্ৰমে ৪৩ আৰু ৪০ গৰাকী কবিৰ কবিতা প্ৰকাশ আদিৰ প্ৰকাশে সম্পাদকসকলৰ কবিতাৰ প্ৰতি থকা ৰুচিবোধ আৰু সাহিত্যৰ ক্ষেত্ৰখনত কবিতাৰ প্ৰভাৱ বিস্তাৰৰ দিশটোক প্ৰতীয়মান কৰি তুলিছে।

**প্ৰবন্ধ ঃ**

চিন্তাশীল সাহিত্যৰ অন্তৰ্গত এক বিশেষ ভাগ হৈছে ‘প্ৰবন্ধ’। ‘গৰীয়সী’য়ে এইবিধ সাহিত্যৰ ধাৰাৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আৰম্ভণি সংখ্যাটোৰ পৰাই আলোচনীখনত সুলিখিত, সুচিন্তিত আৰু উচ্চমানদণ্ডসম্পন্ন প্ৰবন্ধ প্ৰকাশ পাই আহিছে। আৰম্ভণি সংখ্যাটোক বিশিষ্ট সমালোচক, নিবন্ধকাৰ তথা গদ্যকাৰ হোমেন বৰগোহাঞি, নৰকান্ত বৰুৱা আৰু মেদিনী চৌধুৰীৰ গভীৰ অধ্যয়নলব্ধ প্ৰবন্ধই সমৃদ্ধ কৰিছে। দ্বিতীয় সংখ্যাটোতো যতীন্দ্ৰনাথ গোস্বামী, অণিমা দত্তৰ লেখীয়া প্ৰতিষ্ঠিত লেখকৰ প্ৰবন্ধই স্থান লাভ কৰিছে। তাৰোপৰি অজিৎ বৰুৱা, দিলীপ বৰুৱা, হীৰেণ গোহাঁই, দিনেশ গোস্বামী, শশী শৰ্মা, যোগেশ দাস, দয়ানন্দ পাঠক, নৱনীতা বৰুৱা, আনন্দ বৰমুদৈ, নগেন শইকীয়া, শৈলেন ভৰালী, সৌৰভ কুমাৰ চলিহা, উপেন্দ্ৰনাথ শৰ্মা, কৰবী ডেকা হাজৰিকা, গোবিন্দ প্ৰসাদ শৰ্মা, যতীন গোস্বামী, লীলাৱতী শইকীয়া বৰা, নলিনীধৰ ভট্টাচাৰ্য, প্ৰণৱজ্যোতি ডেকা, কেশদা মহন্ত, বিভাস চৌধুৰী, উপেন্দ্ৰ বৰকটকী, যতীন গোস্বামী, হৰেকৃষ্ণ ডেকা, ভুবন বৰুৱা, উপেন ৰাভা হাকাচাম, ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী, ৰত্না দত্ত, নাৰায়ণ চন্দ্ৰ গোস্বামী আদি ভালেমান প্ৰবন্ধকাৰৰ অলেখ প্ৰবন্ধই আলোচনীখনক সমৃদ্ধ কৰি আহিছে। প্ৰবন্ধসমূহৰ মাজত সমসাময়িক ৰাজনীতি, অৰ্থনীতি, সাংস্কৃতিক, বিজ্ঞানৰ ন-ন আৱিস্কাৰ সম্পৰ্কীয় পৰীক্ষণ, সাহিত্যৰ ন-ন তত্ত্বৰ পৰীক্ষণ, ধৰ্ম, দৰ্শন, অসমীয়া সংগীতৰ বৰ্তমান আৰু ভৱিষ্যত, শিশু সাহিত্য, বিশ্ব সাহিত্যৰ গতি বিধি, সাহিত্যিক বিশেষৰ জীৱন দৰ্শন, তুলনামূলক সাহিত্যৰ প্ৰাসংগিকতা, নাৰীবাদী ধাৰণাৰ পুনৰ মূল্যায়ন, নৃগোষ্ঠীয় উপভাষা, লিপিৰ অধ্যয়নৰ প্ৰাসংগিকতা, আজিৰ প্ৰেক্ষাপটত বৈদিক সাহিত্যৰ অধ্যয়নৰ গুৰুত্ব, পৰিৱৰ্তনগামী অসমীয়া ভাষা-সমাজ-

সংস্কৃতি, বিভিন্ন আন্দোলন আৰু ইয়াৰ ফলশ্ৰুতি, বিভিন্ন জাতি-জনগোষ্ঠীৰ জনজীৱন আৰু লোকসংস্কৃতিৰ অধ্যয়ন, ইণ্টাৰনেটৰ যুগত সংবাদপত্ৰ আৰু আলোচনীৰ স্থিতি আৰু ভৱিষ্যত আদি অনেক বিষয়ে স্থান লাভ কৰি আহিছে।

'গৰীয়সী' মূলতঃ সাহিত্য বিষয়ক আলোচনী। সেয়ে আলোচনীখনত সাহিত্য বিষয়ক প্ৰবন্ধই মাত্ৰাধিক্য স্থান লাভ কৰাটো সহজে অনুমেয়। সাহিত্য বিষয়ক প্ৰবন্ধবোৰত বৈদিক, মৌখিক পৰম্পৰা আশ্ৰয়ী সাহিত্যৰ পৰা আৰম্ভ কৰি, মধ্যযুগীয় সাহিত্যৰ পৰা আদি কৰি অতি সাম্প্ৰতিকৰ সাহিত্যলৈকে স্থান লাভ কৰা দেখা যায়। আলোচনীখনত কেৱল অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আদি বিষয়ক প্ৰবন্ধইহে স্থান পাইছে এনে নহয়; সংস্কৃত, হিন্দী, উড়িয়া, বাংলা আদি ভাৰতীয় ভাষাৰ উপৰি ইংৰাজী, ফৰাচী, জাপানী আদি ভাষাত লিখিত অনূদিত প্ৰবন্ধয়ো প্ৰকাশৰ বাট দেখিছে। বিশ্ব সাহিত্যৰ এনে বিভিন্ন ভাষাৰ সাহিত্যৰ পাঠক অসমীয়া সাহিত্যলৈ আনি নতুন জ্ঞানৰ খোৰাক জন্মোৱাৰ লগতে ইয়াৰ মাজেৰে লেখক আৰু সম্পাদকগোষ্ঠীৰ সাহিত্য আৰু ভাষাৰ ক্ষেত্ৰত থকা উদাৰতাৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হৈছে। দীপশিখা মহন্তৰ 'সাম্প্ৰতিক অসমীয়াৰ সামগ্ৰিক অভিধান ঃ এক মুকলি চিন্তা' (মাৰ্চ ১৯৯৯, পৃ.২৪-২৯), ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীৰ 'উত্তৰ আধুনিকতা ঃ তত্ত্ব আৰু প্ৰয়োগ' (নৱেম্বৰ ২০০০, পৃ.৮-১১), প্ৰণৱিৰাম বৰুৱাৰ 'অসমীয়া সংগীতৰ বৰ্তমান আৰু ভৱিষ্যৎ' (ডিচেম্বৰ ২০০১, পৃ.১৩-১৪), উপেন ৰাভা হাকাচামৰ 'অসমীয়া কেইটামান নৃগোষ্ঠীয় উপভাষা ঃ এটি সাধাৰণ পৰিচয়' (নৱেম্বৰ ২০০৪, পৃ.৭৮-৮৫), হেমন্ত কুমাৰ দাসৰ 'অসমীয়া আৰু বড়ো লোকগীত ঃ এক তুলনামূলক অধ্যয়ন' (ফেব্ৰুৱাৰী ২০০৫, পৃ.৭১-৭৪), অশোক কুমাৰ গোস্বামীৰ 'আজি প্ৰসংগত প্ৰজ্ঞাগৰ্ভ ৰামায়ণ আৰু মহাভাৰত (মে' ২০০৮, পৃ.৪৮-৫২), ভূপেন চক্ৰৱৰ্তীৰ 'ভাষাৰ ঘাই শিপা' (মাৰ্চ ২০০৯, পৃ.৩১-৩২), নীৰাঞ্জনা মহন্ত বেজবৰাৰ 'সাহিত্যৰ সমাজতত্ত্ব' (মে' ২০১০, পৃ.১১-১৭), গগন চন্দ্ৰ অধিকাৰীৰ 'কোমল বয়সীয়া পাঠকৰ সংখ্যা কমি যাবলৈ ধৰিছে' (ডিচেম্বৰ ২০১০, পৃ.৩৮), কৰবী ডেকা হাজৰিকাৰ 'অসমীয়া কাব্য-ইতিহাসৰ পটভূমিত কবিৰ দৃষ্টিত নাৰী (মাৰ্চ ২০০৬, পৃ.১৩-১৭), নীৰাজনা মহন্ত বেজবৰাৰ 'ভাৰতীয় সাহিত্যৰ ইতিহাসত ৰীতি সাহিত্য' (আগষ্ট ২০০৬, পৃ.২৫-২৯) আদি কেতবোৰ উল্লেখযোগ্য প্ৰবন্ধ।

'গৰীয়সী'ত অসমীয়া ভাষা-সাহিত্যৰ লগতে অন্যান্য ভাৰতীয় ভাষা-সাহিত্যৰ কাণ্ডাৰীসকলৰ

স্মৰণ প্ৰসংগত ‘শ্ৰদ্ধাৰ্ঘ’ সংখ্যাৰূপে প্ৰকাশিত সংখ্যাসমূহতো ভালেমান প্ৰবন্ধ প্ৰকাশ পাইছে। এই প্ৰবন্ধসমূহত সংশ্লিষ্ট ব্যক্তিগৰাকীৰ ব্যক্তিত্ব, সাহিত্যৰাজিৰ মূল্যাংকন, জীৱনাদৰ্শৰ আলোকপাত আদিৰ লগতে ভাষা-সাহিত্য-সমাজ আদি বিভিন্ন ক্ষেত্ৰলৈ ব্যক্তিগৰাকীৰ অৱদানৰ প্ৰসংগক লৈ আলোচনা হৈছে। এনে সংখ্যাসমূহৰ বিষয়বস্তুগত দিশৰ আলোচনাক পৰৱৰ্তী ‘শ্ৰদ্ধাৰ্ঘ’ শিতানৰ আলোচনাত আওতালৈ অনা হৈছে। এনেদৰে ‘গৰীয়সী’য়ে নবীন-প্ৰবীণ প্ৰৱন্ধকাৰৰ মননশীল ৰচনা প্ৰকাশৰ মাজেৰে সাহিত্যৰ ক্ষেত্ৰখনত বিষয়বস্তুৰ গাম্ভীৰ্য আৰু চিন্তাশীলতাৰ দিশটোক স্পষ্ট ৰূপত প্ৰতিফলনৰ লগতে এচাম নতুন চিৰিয়াছ পঢ়ুৱৈ আৰু লেখকৰ সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

## চিঠিপত্ৰ অভিমত ঃ

‘গৰীয়সী’ৰ এই শিতানটো প্ৰথম বছৰ, তৃতীয় সংখ্যাৰ পৰা প্ৰকাশ পাই আহিছে। শিতানটোত আলোচনীখন আৰু লেখকসকলৰ পৰা ‘কিয়’ আৰু ‘কেনেধৰণৰ’ সাহিত্য বিচাৰে, সেই বিষয়ে বিশেষকৈ গুৰুত্ব লাভ কৰিছে। ‘গৰীয়সী’ৰ সম্পাদক আৰু লেখক- উভয়েই পঢ়ুৱৈৰ ৰুচিবোধত দৃষ্টি দিছিল। তাৰোপৰি লেখকসকলে ভৱিষ্যতৰ সমাজলৈ কি বাৰ্তা দিব বিচাৰে তাৰ প্ৰতিও সম্পাদসকলে নজৰ ৰাখিছিল। ‘চিঠি পত্ৰ অভিমত’ শিতানৰ লেখাত এই কথা প্ৰমাণিত হৈ আহিছে। এগৰাকী সাধাৰণ পঢ়ুৱৈৰ নজৰত আলোচনীখন কেনে হোৱাটো সম্পাদকে বিচাৰে, সেই বিষয়ে এই শিতানত উল্লেখিত হৈছে এনেদৰে—

> “গৰীয়সী” শিক্ষিত মনৰ লেখক-পাঠকৰ ৰুচি আৰু মানৱীয় সত্তাৰ নতুন বাটকটীয়া হওক; ৰসোত্তীৰ্ণ আৰু কালোত্তীৰ্ণ সৃষ্টিত প্ৰকৃত বোধ ই পৰিচ্ছন্ন কৰি তোলক; নিষ্ঠাবান, সংযত আৰু যোগ্য ন-পুৰণি লিখক-পাঠকৰ যৌথ প্ৰচেষ্টাত “গৰীয়সী”য়ে জাতি-ধৰ্ম-বৰ্ণ-শ্ৰেণী নিৰ্বিশেষে কেৱল ‘মানুহ’ৰ সমাজত তেওঁলোকৰ মৌলিক মানৱীয় সমস্যাৱলীৰ প্ৰশ্নবোৰ কলাসন্মত পৰীক্ষাৰে উত্থাপন কৰক; লাগিলে প্ৰশ্নবোৰ আহুকলীয়াই নহওক; অসমীয়া সাহিত্য সমালোচনাৰ যথাৰ্থ ‘ভেদজ্ঞান শিক্ষা’ৰ জৰিয়তে গভীৰ সাহিত্যবোধৰ মোহগ্ৰস্ত লিখক-পাঠকৰ চেতনাৰ পৰিশুদ্ধি ঘটাওক; মুঠ কথাত ব্যক্তি, সমাজ আৰু

সাহিত্যৰ মাজৰ অখণ্ড দ্বন্দময় সম্পৰ্কৰ নিৰ্ভুল সংজ্ঞাৰ্থ নিৰূপিত হোৱাৰ বাট প্ৰশস্ত কৰি তোলক।

(শইকীয়া, চন্দ্ৰপ্ৰসাদ। "চিঠিপত্ৰ অভিমত"। *গৰীয়সী*, জানুৱাৰী ১৯৯৪, পৃ.৫)

এই শিতানত আলোচনীখনত প্ৰকাশিত বিভিন্ন সৃষ্টিশীল আৰু মননশীল সাহিত্য বিষয়ক লেখাসমূহৰ বিষয়ত সমালোচনাত্মক আলোচনাৰ প্ৰসংগয়ো স্থান লাভ কৰিছে। এইক্ষেত্ৰত সমালোচকগৰাকীৰ বস্তুনিষ্ঠ তথা তথ্যনিষ্ঠতাৰ প্ৰসংগত গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। 'গৰীয়সী'ৰ ফেব্ৰুৱাৰী ১৯৯৫ সংখ্যাত প্ৰকাশিত 'নাস্তিকবাদ ঃ চাৰ্বাকৰ ধৰ্ম ৰজাই ভগৱান' শীৰ্ষক প্ৰবন্ধত প্ৰবন্ধকাৰ ত্ৰৈলোক্য ভট্টাচাৰ্যই জৰ্জ বাৰ্ণাৰ্ড শ্ব'ৰ বিৰুদ্ধে চূড়ান্ত যৌনপৰায়ণতাৰ অভিযোগ আনিছিল। প্ৰবন্ধটোত প্ৰকাশিত এনে মন্তব্যৰ বিৰুদ্ধাচাৰণেৰে আন এগৰাকী সমালোচক ৰিয়াজ উদ্দিন আহমেদে মে' ১৯৯৫ আৰু ছেপ্টেম্বৰ ১৯৯৫ সংখ্যাৰ 'চিঠি-পত্ৰ সমালোচনা'ত যি সমালোচনা আগবঢ়াইছে মনকৰিবলগীয়া। এনে যুক্তিনিষ্ঠ সমালোচনাইহে প্ৰকৃত সমালোচনা সাহিত্যৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰিছে। 'গৰীয়সী'ৰ ছেপ্টেম্বৰ ১৯৯৫ সংখ্যাত 'মহাদেৱী বৰ্মা আৰু নলিনীবালা দেৱীৰ কবিতা' শীৰ্ষক তুলনামূলক প্ৰবন্ধ প্ৰকাশ পাইছিল। প্ৰবন্ধটোৰ প্ৰসংগত লিখনিটোৰ বিষয়ত একে শিৰোনামত ৰুবুকণ দত্তই এই শিতানত তুলনামূলক সাহিত্যৰ প্ৰাসংগিকতা আৰু গুৰুত্ব সম্পৰ্কে দাঙি ধৰা মন্তব্য মনকৰিবলগীয়া-

তুলনামূলক সাহিত্যৰ জৰিয়তে দুটা ভিন্ন ভাষিক পৰিমণ্ডলৰ ভিতৰত থকা সাদৃশ্য-বৈসাদৃশ্যবোৰ আৱৰণহীনভাৱে ওলাই পৰাৰ লগতে দুই ভিন্ন ভাষা সাহিত্যৰ লগত সূক্ষ্ম পৰিচয়েই নহয়, এক সমন্বয়ো সম্ভৱ হ'ব পাৰে। আমাৰ দেশৰ ভাষিক ভিন্নতাৰ মাজত সম্প্ৰতি এনে সাংস্কৃতিক মিলন অতি প্ৰয়োজন বুলি ভাবো। (শইকীয়া, চন্দ্ৰপ্ৰসাদ। "চিঠি-পত্ৰ সমালোচনা"। *গৰীয়সী*, ছেপ্টেম্বৰ ১৯৯৫, পৃ.৪)

লেখা এটিত বিভিন্ন কাৰণবশতঃ লেখকগৰাকীৰ জ্ঞাতসাৰে বা অজ্ঞাতসাৰে কেতিয়াবা ভুল-ত্ৰুটি ৰৈ যোৱা দেখা যায়। যুক্তি বা তথ্যনিষ্ঠভাৱে সদাশয় সমালোচকে মন্তব্য বা সমালোচনাৰে দেখুৱাই দিলে এনে ভুল ধৰা পৰে। 'গৰীয়সী'ৰ এই শিতানত বিভিন্ন লেখাত লেখকসকলে ৰৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰি জনোৱা নিবেদনৰ লগতে বহু সময়ত পঢ়ুৱৈয়েও পৰিশুদ্ধি দেখুৱাই

দিয়া পৰিলক্ষিত হৈছে। তাৰোপৰি সাম্প্ৰতিক সাহিত্যক কিদৰে সাৰ্থকৰূপে গঢ় দিব পাৰি, সাহিত্যৰ পাঠ আৰু পঠনৰ লগতে পঢ়ুৱৈৰ দৃষ্টিকোণ, কালোত্তীৰ্ণ আৰু ৰসোত্তীৰ্ণ সাহিত্যৰ বিশেষত্ব, সাহিত্য লেখনত লেখকৰ কেৰোণ, লেখক আৰু পঢ়ুৱৈৰ মাজৰ দূৰত্বৰ কাৰণ নিৰ্ণয় আৰু সমাধানসূত্ৰ, সমালোচকৰ গুণ আৰু লক্ষ্য-উদ্দেশ্য, বৈদিক তথা মহাকাব্যিক সাহিত্য সম্পৰ্কে মন গহ্বৰত উদ্ৰেক হোৱা নতুন নতুন চিন্তা, বিভিন্ন গ্ৰন্থ তথা সাহিত্য বিষয়ক সূক্ষ্ম আৰু তীক্ষ্ণ যুক্তিনিষ্ঠ সমালোচনা আদিয়েও এই শিতানত বিশেষ স্থান লাভ কৰিছে। এই শিতানটোৱে আৰম্ভণিৰ পৰা বৰ্তমানেও সাহিত্যৰ পঠনক পঢ়ুৱৈৰ নতুন দৃষ্টিৰে চোৱাৰ সুবিধা প্ৰদান কৰিছে।

**গ্ৰন্থ সমালোচনা ঃ**

‘গৰীয়সী’ৰ এক নিয়মীয়া শিতান ‘গ্ৰন্থ সমালোচনা’। আলোচনীখনৰ প্ৰতিটো সংখ্যাতে শেষাংশত বিভিন্ন ভাষা বিষয়ক গ্ৰন্থ, উপন্যাস, জীৱনীমূলক গ্ৰন্থ, ব্যাকৰণ বিষয়ক গ্ৰন্থ, দৰ্শন শাস্ত্ৰ বিষয়ক গ্ৰন্থ আদিৰ সমালোচনামূলক আলোচনা অন্তৰ্ভুক্ত বতৰা দেখা গৈছে। ‘গৰীয়সী’ৰ প্ৰথম বছৰ, প্ৰথম সংখ্যাটোত উপেন্দ্ৰনাথ শৰ্মাৰ ‘এটা দশকৰ গুৰুত্বপূৰ্ণ সৃষ্টি শীৰ্ষক’ প্ৰবন্ধেৰে এই গ্ৰন্থ সমালোচনাৰ যি আৰম্ভণি হৈছিল, অতি সাম্প্ৰতিকলৈকে এই ধাৰা অব্যাহত থকাৰ লগতে পঢ়ুৱৈৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। পৰৱৰ্তী সময়ত প্ৰথম বছৰ, চতুৰ্থ সংখ্যাত ৰাম গোস্বামীয়ে ‘অসমৰ বাতৰি কাকত ঃ এটি ৰূপৰেখা’ আৰু উপেন্দ্ৰ নাথ শৰ্মাই ‘অভিযাত্ৰী’ উপন্যাসখনৰ সমালোচনা আগবঢ়োৱা দেখা গৈছে। এই শিতানত প্ৰায়সংখ্যক প্ৰতিষ্ঠিত প্ৰবন্ধকাৰ- লীলাৱতী শইকীয়া বৰা, নীৰেন ঠাকুৰীয়া, প্ৰভাত চন্দ্ৰ দাস, মালিনী গোস্বামী, ৰবীন্দ্ৰ বৰা, ভুবন বৰুৱা, হৃদয়ানন্দ গগৈ, নলিনীধৰ ভট্টাচাৰ্য, আনন্দ বৰমুদৈ, পোনা মহন্ত, মেদিনী চৌধুৰী, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, শৈলেন ভৰালী, গোবিন্দ প্ৰসাদ শৰ্মা, অনিমা দত্ত, অপূৰ্ব শৰ্মা, পূৰৱী বৰুৱা, ধনদা দেৱী, কুমুদ বৰুৱা, তোষপ্ৰভা কলিতা, ধনদা দেৱী আদিৰ সমালোচনামূলক লেখাই ‘গৰীয়সী’ক সমৃদ্ধ কৰিছে।

‘গৰীয়সী’ৰ গ্ৰন্থ সমালোচনাৰ শিতানলৈ চালে ইয়াৰ প্ৰাসংগিকতা আৰু গুৰুত্বৰ বিষয়ে উপলব্ধি কৰিব পাৰি। গ্ৰন্থ এখনৰ সমালোচনাৰ সময়ত বিষয়বস্তুগত দিশ, লেখক এগৰাকীৰ উপস্থাপনশৈলীৰ দক্ষতা, ভাব-ভাষাৰ প্ৰয়োগ, যুক্তি তথা তথ্যনিষ্ঠতা আদি দিশৰ পুংখানুপুংখ বিশ্লেষণৰ প্ৰয়োজন

আহি পৰে যদিও বহু সময়ত পৰিচয়মূলক সমালোচনাতে সীমিত থাকি গ্ৰন্থ সমালোচনাত আন প্ৰসংগবোৰ উপেক্ষিত হৈয়ো থকা দেখা যায়। 'গৰীয়সী'ক এনেক্ষেত্ৰত ব্যতিক্ৰম বুলিব পাৰি। আলোচনীখনৰ সমালোচনাত যুক্তিনিষ্ঠ তথা তথ্যনিষ্ঠতাৰ লগতে তীক্ষ্ণ সমালোচনাত্মক দিশটোত গুৰুত্ব দিয়া দেখা গৈছে। এনে এক উদাহৰণ হৈছে- লীলাৱতী শইকীয়া বৰাই উপেন ৰাভা হাকাচামৰ 'ৰাভা ভাষা আৰু সাহিত্য' গ্ৰন্থখনৰ বিষয়ত আগবঢ়োৱা সমালোচনা। আলোচনাটোত গ্ৰন্থখনৰ দহটা অধ্যায়ত স্থান লাভ কৰা ৰাভা ভাষা আৰু ইয়াৰ উপভাষা, ৰাভা ভাষাৰ ঐতিহ্য বিচাৰ আৰু মান্যতাৰ প্ৰসংগ, ৰাভা ভাষাৰ ধ্বনিতাত্ত্বিক প্ৰসংগ, ৰাভা ভাষাৰ ৰূপতাত্ত্বিক প্ৰসংগ, ৰাভা ভাষাৰ শব্দৰ ব্যুৎপত্তিগত দিশ, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগত ৰাভা ভাষা-সাহিত্য-সংস্কৃতিৰ সম্পৰ্ক আদি বিষয়ত বিশ্লেষণ আগবঢ়াইছে। তাৰোপৰি গ্ৰন্থখনত দেখা দিয়া বিষয়ৰ পৰা বিষয়ান্তৰলৈ গমন, স্থানবিশেষে বক্তব্যৰ অস্পষ্টতা, 'মান্য' শব্দটোৰ পৰিৱৰ্তে 'মান্যতা' শব্দৰ বিসংগতিপূৰ্ণ প্ৰয়োগ, তুং তুং (গৰমে গৰমে) দ্বিৰুক্তিবাচক শব্দটো যে বিশেষণ সেই কথা উহ্য থকা আদি বিসংগতিসমূহৰ বিষয়ে স্পষ্ট আৰু সূক্ষ্ম সমালোচনা দাঙি ধৰিছে।[২] এইধৰণৰ বস্তুনিষ্ঠ, নিৰপেক্ষ আৰু প্ৰত্যক্ষ সমালোচনাইহে গ্ৰন্থ এখনৰ প্ৰকৃত স্বৰূপ পঢ়ুৱৈৰ সন্মুখত উন্মোচন কৰিব পাৰে। এই ধৰণৰ উন্মোচন পৰ্বত 'গৰীয়সী'য়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

**উপন্যাস ঃ**

সৃষ্টিশীল সাহিত্যৰ এক ধাৰা হৈছে উপন্যাস। উপন্যাস এবিধ বাস্তৱ ঘটনা-আধাৰিত কলাত্মক গদ্য-সাহিত্য। মানুহৰ দৈনন্দিন জীৱনৰ কাম-কাজ, চাল-চলন, চিন্তা-চৰ্চা, ঘাত-প্ৰতিঘাত, দুখ-সুখ, উন্নতি-অৱনতি, ধৰ্মীয় ভাবনা, আৰ্থিক চিন্তা, সামাজিক চেতনা, ৰাজনৈতিক আকাংক্ষা, সাংস্কৃতিক স্পৃহা আৰু পৰিস্থিতি অনুসৰি উদ্ভৱ হোৱা নানান সমস্যা উপন্যাসত প্ৰতিফলিত হয়। মানুহৰ আভ্যন্তৰীণ আৰু বাহ্যিক দিশৰ বিবিধ চিত্ৰ উপন্যাসৰ মাজেৰে ব্যাপকভাৱে ৰূপায়ণ কৰিব পাৰি।[৩] 'গৰীয়সী'ৰ আৰম্ভণি সংখ্যাটোৰ পৰা একবিংশ শতিকাৰ প্ৰথম দশকলৈ গৱেষণাৰ বাবে নিৰ্ধাৰিত সময়ছোৱাত মামণি ৰয়ছম গোস্বামী, লক্ষ্মীনন্দন বৰা, পূৰবী বৰমুদৈ, ধ্ৰুৱজ্যোতি বৰা, চন্দ্ৰপ্ৰসাদ শইকীয়া, অৰুণ শৰ্মা, দেৱেন্দ্ৰনাথ আচাৰ্য, দেৱব্ৰত দাস, ৰীতা চৌধুৰী আদি ঔপন্যাসিকৰ

কুৰিখনতকৈয়ো অধিক মৌলিক উপন্যাসৰ উপৰি অজিৎ বৰুৱাৰ অনূদিত উপন্যাস ‘মানুহৰ স্থিতি’, উপেন্দ্ৰনাথ শৰ্মাৰ অনূদিত উপন্যাস ‘কাফকাৰ দ্য কেচল’ আদিও ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। উপন্যাসসমূহৰ বিষয়বস্তু আৰু ভাষাগত দিশৰ বহল পৰিসৰত আলোচনা দ্বিতীয় অধ্যায়ত দাঙি ধৰা হৈছে।

**বিজ্ঞান সাহিত্য ঃ**

বিজ্ঞানৰ বিভিন্ন মৌলিক তত্ত্ব, পৰীক্ষণ আৰু আৱিষ্কাৰ সম্বন্ধীয় প্ৰসংগৰ মূল জুমুঠিক সাহিত্যৰ মাজলৈ টানি আনি সৰ্বসাধাৰণৰ উপযোগীকৈ যি সাহিত্য সৃষ্টি কৰা হয়, সেয়াই বিজ্ঞান সাহিত্য। অতি সম্প্ৰতি এই ধাৰাটোৱে পঢ়ুৱৈৰ মাজত নতুন জ্ঞানৰ উদ্ৰেকৰ লগতে বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে যদিও আন সাহিত্যৰ ধাৰাসমূহৰ তুলনাত এই ধাৰাটো বৰ্তমানেও পিছপৰি ৰৈছে। ‘গৰীয়সী’ মূলতঃ সাহিত্যালোচনী যদিও বিজ্ঞান সাহিত্যৰ এই ধাৰাটোকো প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিছিল আৰু এনে উদ্দেশ্যৰেই সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াই আলোচনীখনত ‘স্বাস্থ্য’ আৰু ‘বিজ্ঞান’ নামেৰে এই শিতানৰ সংযোজন কৰা দেখা গৈছে।

সাহিত্যৰ আন ধাৰা গল্প, কবিতা, উপন্যাস, জীৱনী গ্ৰন্থ, প্ৰবন্ধ, সমালোচনা আদিৰ তুলনাত বিজ্ঞান সাহিত্যৰ ধাৰাটোৱে আজিও পিছপৰি ৰৈছে। ইয়াৰ মূল ৰূপে চিহ্নিত কৰিব পৰা কাৰণটো হৈছে- ‘শংকা’। স্কুলীয়া শিক্ষা লাভৰ সময়ৰ পৰা কিছু পৃথক বিষয় আৰু উপস্থাপনশৈলীৰ বাবে বুজি পোৱাত অসুবিধাৰ লগতে এক শংকাৰ সৃষ্টি কৰে। পৰৱৰ্তী সময়তো এই ধাৰণাই মনোজগতত ক্ৰিয়া কৰি থকাৰ বাবেই বিজ্ঞান সাহিত্যতো এনে দুৰ্বোধ্যময়তাই স্থান লাভ কৰে বুলি ভবাৰ অৱকাশতেই বহু সময়ত এইবিধ সাহিত্য উপেক্ষিত হৈ ৰৈছে। তাৰোপৰি বিজ্ঞান সাহিত্য ৰচিত হৈ আছে যদিও বহুসময়ত অনুভৱ হয় যে লেখকে সাধাৰণ পঢ়ুৱৈৰ প্ৰতি নজৰ দি নহয়, বিজ্ঞানৰ পঢ়ুৱৈৰ বাবেহে লেখাটো লিখিছে। ইয়াৰ ফলতো লেখক-পঢ়ুৱৈৰ মাজত দূৰত্ব বৃদ্ধি পোৱাৰ লগতে এনে সাহিত্য সৃষ্টিৰ ধাৰাটো সীমিত বুলি ভবাৰ অৱকাশ আছে।

সম্পাদক শইকীয়াই বিজ্ঞান সম্পৰ্কে সাধাৰণ পঢ়ুৱৈৰ মনত থকা শংকা আৰু বিজ্ঞানৰ জটিল তাত্ত্বিক, জটিল তাত্ত্বিক দিশসমূহক সহজ-সৰল ভাষাৰে সাহিত্যৰ মাজলৈ অনাৰ চেষ্টাৰে

'গৰীয়সী'ত এই শিতানটো অন্তৰ্ভুক্ত কৰিছিল। 'গৰীয়সী'ৰ জানুৱাৰী ১৯৯৪ সংখ্যাত ডাঃ অঞ্জনকুমাৰ ভট্টাচাৰ্যৰ 'চিকিৎসা বিজ্ঞানৰ অনবদ্য অৱদান ঃ পে'চমেকাৰ' শীৰ্ষক লিখনিটো 'স্বাস্থ্য' শিতানত প্ৰকাশ পাইছিল। লেখাটোত কৃত্ৰিম পে'চমেকাৰৰ সংস্থাপনৰ প্ৰয়োজনীয়তা, পে'চমেকাৰৰ ভাগ-পে'চমেকাৰ জেনৰেটৰ আৰু স্থায়ী পে'চমেকাৰ নিৰ্মাণ পদ্ধতি আৰু ইয়াৰ কাৰ্যৱলী, পে'চমেকাৰ স্থাপন পদ্ধতি, পে'চমেকাৰৰ প্ৰয়োজন হোৱা ৰোগীৰ লক্ষণ, পে'চমেকাৰ লগোৱাৰ পিছত ল'বলগীয়া সাৰধানতা আদিৰ বিষয়ে পুংখানুপুংখ বিশ্লেষণ দাঙি ধৰিছে। 'গৰীয়সী'ৰ পাততে প্ৰকাশিত ড° দীনেশ চন্দ্ৰ গোস্বামীৰ 'মেলেৰিয়াৰ ছিটা ঃ বিজ্ঞানীৰ নিস্বাৰ্থ অৱদান' শীৰ্ষক লেখাটোত উল্লেখিত তথ্য মতে "বিশ্বস্বাস্থ্য সংস্থাই প্ৰকাশ কৰা পৰিসংখ্যা অনুযায়ী ৩০ৰ পৰা ৫০ কোটিলৈকে মানুহৰ এই ৰোগ হয় আৰু ইয়াৰ ফলত ১৫ৰ পৰা ৩০ লাখ পৰ্যন্ত মানুহ প্ৰতিবছৰে মৃত্যুমুখত পৰে। আটাইতকৈ মনকৰিবলগীয়া কথাটো হ'ল এয়ে যে ক্ৰান্তীয় মেলেৰিয়াৰ বেছিভাগ আক্ৰমণৰ বলিয়েই হ'ল শিশু।"[৪] লেখাটোত কলম্বিয়াৰ বিশিষ্ট চিকিৎসা বিজ্ঞানী মেনুৱেল পেটাৰায়োৰ যুগান্তকাৰী আৱিষ্কাৰ 'এছ পি এফ ৬৬ (SPF 66) নামৰ ছিটাবিধৰ স্বত্ব বিশ্ব স্বাস্থ্য সংস্থাক অৰ্পণ, মেলেৰিয়াৰ কাৰণ আৰু বয়সভেদে প্ৰতিৰোধ ক্ষমতা, নিঃস্বাৰ্থ অৱদানৰ বাবে মেনুৱেল পেটাৰোয়োক প্ৰদান কৰা পৃথিৱী বিখ্যাত ৰবাৰ্ট কচ্চ পুৰস্কাৰ আদি প্ৰসংগই স্থান লাভ কৰিছে। আলোচনীখনৰ পাততে ড° পৰমানন্দ মহন্তৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পটভূমিত অসমীয়া ভাষা (অক্টোবৰ ২০০১, পৃ.৩১-৩৪) ড° দুলেশ্বৰ মহন্তৰ 'ভাৰত-মাৰ্কিন নিউক্লীয় সহযোগিতা' (মে' ২০০৬, পৃ.৮১-৮৩), 'জীৱৰ চাৰিত্ৰিক বৈশিষ্ট্যত জিনৰ ভূমিকা' (আগষ্ট ২০০৬, পৃ.৮৪-৮৫); ড° এ. কে. জিয়াউদ্দিন আহমেদৰ 'অসমীয়া কল্পবিজ্ঞান সাহিত্য ঃ এটি আলোচনা' (আগষ্ট ২০০৬, পৃ.৮৬-৮৯); ড° দীনেশ বৈশ্যৰ 'সাধাৰণ মানুহৰ মুখৰ কাঢ়ি গঢ়া হয় বিজ্ঞানৰ সৌধ' (আগষ্ট ২০০৯, পৃ.৭৯-৮০), ড° দীনেশ চন্দ্ৰ গোস্বামীৰ টিভি-ভিডিঅ' গেমে অমানুহ কৰি তোলে নেকি?' (নৱেম্বৰ ২০১০, পৃ.৯৫-৯৭), 'মহাকাশৰ ভয়াৱহ দলিবোৰ গাত নপৰাকৈ থাকোঁ কেনেকৈ?' (ছেপ্টেম্বৰ ২০১০, পৃ.৯০-৯২)ৰ লেখীয়া প্ৰতিষ্ঠিত লেখকৰ বিভিন্ন ৰচনাৰ প্ৰকাশে এই শিতানক সমৃদ্ধ কৰিছে।

## চিত্ৰশিল্প বা চিত্ৰকল্প ঃ

চিত্ৰাঙ্কন বা চিত্ৰকলা (ইংৰাজী ঃ Painting) হৈছে কোনো কঠিন পৃষ্ঠাত চিত্ৰ, ৰং, ৰঞ্জক বা অন্য মাধ্যমেৰে প্ৰলেপ দিয়া কাৰ্য। এই মাধ্যমবোৰ সাধাৰণতে এডাল ব্ৰাছৰ সহায়ত অংকন কৰা হয়, যদিও কেতিয়াবা কটাৰী, স্পঞ্জ আদিও ব্যৱহাৰ কৰা হয়। চিত্ৰাঙ্কন প্ৰক্ৰিয়াৰ শেষত যি শিল্পকৰ্মৰ সৃষ্টি কৰা হয়, তাকে চিত্ৰকলা বোলে।[৫] 'গৰীয়সী'ৰ সংখ্যাসমূহত এইবিধ সুকুমাৰ কলাৰ বিষয়ত দিয়া গুৰুত্বৰ বিষয়ে বেণু মিশ্ৰ, অমিনুল হক, চম্পক বৰবৰা, মহম্মদ ইউচুফ, পদ্ম পাটৰ, হেমন্ত মিশ্ৰ, জিতেন হাজৰিকা আদি প্ৰতিষ্ঠিত চিত্ৰশিল্পীৰ হাতত প্ৰাণ পোৱা ৰং-বিৰঙী আৰু বাৰ্তাবাহক বেটুপাতসমূহৰ লগতে 'চিত্ৰশিল্প' শিতানটোৰ অন্তৰ্ভুক্তকৰণৰ পৰা বুজিব পাৰি।

আমিনুল হক, মুনীন্দ্ৰ মহন্ত, ধ্ৰুৱজ্যোতি দাস, অৰূপা বৰুৱা, অংকুৰ ডেকা, নীলমণি ফুকন, নীলপৱন বৰুৱা, হেমন্ত বৰ্মন, পুষ্প গগৈ আদিৰ অনেক চিত্ৰশিল্প বিষয়ক লেখা 'গৰীয়সী'ত প্ৰকাশ পাইছিল। অমিনুল হকৰ 'ভৱেশ সান্যালৰ ব্যক্তিত্ব আৰু শিল্প প্ৰতিভা' (আগষ্ট ১৯৯৯, পৃ. ৮৭-৮৯) শীৰ্ষক প্ৰবন্ধত এগৰাকী সুদক্ষ ভাস্কৰ, চিত্ৰশিল্পী, সংগীতজ্ঞ আৰু প্ৰশাসনিক বিষয়া ভৱেশ সান্যালৰ জন্ম, শিক্ষা গ্ৰহণ, কৰ্ম জীৱন আদিক সামৰি সাতানব্বৈ বছৰীয়া জীৱন পৰিক্ৰমাৰ চমু পৰিচয় দাঙি ধৰিছে। মুনীন্দ্ৰ মহন্তৰ 'আধুনিকতা আৰু লিওনাৰ্ডো দা ভিন্সি' (ছেপ্তেম্বৰ ২০০৩, পৃ.৮৪-৮৮) প্ৰবন্ধত আধুনিকতাৰ সংজ্ঞা, আধুনিকতাৰ মৌলিক উপাদান, শিল্প আৰু আধুনিকতাৰ সম্পৰ্ক, লিওনাৰ্ডো ভিন্সিৰ জন্ম পৰিচয়, শিক্ষা গ্ৰহণ, আধুনিক শিল্প সাহিত্যৰ ক্ষেত্ৰখনলৈ লিওনাৰ্ডো ভিন্সিৰ অৱদান আদিৰ উপৰি 'মনালিছা' সৃষ্টিৰ আঁৰৰ নেপথ্য, ছবিখনৰ আঁৰৰ বাৰ্তা আৰু চিত্ৰখনৰ বিষয়ত বিভিন্ন সমালোচকৰ মত প্ৰসংগই স্থান লাভ কৰিছে। চিত্ৰখন সম্পৰ্কে লিভিংষ্টোনে আগবঢ়োৱা উল্লেখযোগ্য মত এটি এনেধৰণৰ—

> "আপুনি কেতিয়াও মনালিছাৰ হাঁহিটো তেওঁৰ ওঁঠলৈ পোনে পোনে তধা লাগি ধৰিব নোৱাৰিব। তেওঁৰ জ্বলা-নুমা গুণৰ হাঁহিটো উপস্থিত হৈয়েই আকৌ নোহোৱা হয় কাৰণ মানুহৰ চকুৰ দৃষ্টি হাঁহিৰ পৰা মনালিছাৰ মুখলৈ গুচি যায়। সেয়েহে মনালিছাক যেতিয়া প্ৰথমে চোৱা যায় তেতিয়া তেওঁ হাঁহে আৰু লাহে লাহে হাঁহিটো নিষ্প্ৰভ হয়। অতি ক্ষুদ্ৰ মুহূৰ্ত পিছত হাঁহিটো আহে আৰু বিলীন হৈ যায়। এয়াই হ'ল বিজ্ঞান।"

(মহন্ত, মুনীন্দ্ৰ। "আধুনিকতা আৰু লিওনাৰ্ডো দা ভিঞ্চি"। *গৰীয়সী*, ছেপ্টেম্বৰ ২০০৩, পৃ. ৮৫-৮৬)

'গৰীয়সী'ৰ পাতত প্ৰকাশিত ধ্ৰুৱজ্যোতি দাসৰ প্ৰকাশিত আন এটা উল্লেখযোগ্য লেখা হৈছে- 'কাৰ্টুন ঃ কাৰ্টুনৰ সূচনা আৰু প্ৰসাৰ'। লেখাটোত কাৰ্টুনৰ সংজ্ঞা, জন্ম আৰু ধাৰাবাহিকতা, কাৰ্টুনৰ ন ন ধাৰা, বিভিন্ন কাকত-আলোচনী আদিত কাৰ্টুনৰ স্থান, অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত কাৰ্টুনৰ প্ৰসংগ আৰু কাৰ্টুনৰ স্থিতি আদি বিভিন্ন বিষয়ে স্থান লাভ কৰিছে। চিত্ৰশিল্পৰ অন্তৰ্গত এই ধাৰাটোৰ জন্মদাতা আছিল উইলিয়াম হ'গাৰ্থ (১৬৯৭-১৭৬৪) নামৰ এজন ইংৰাজ চিত্ৰকৰ। (জুন ২০০৫, পৃ.৬৯)। ইয়াৰ পিছত এই ধাৰাটোক গতি দিয়াত ভূমিকা লোৱা ব্যক্তিজন হৈছে- থমাচ ৰোলাণ্ডছন। ভাৰতত অৱশ্যে এই ধাৰাটোৰ বহু পলমকৈহে প্ৰৱেশ ঘটে। 'দিল্লী স্কেচ্ছ বুক' নামৰ পত্ৰিকাখনৰ মাজেৰে আৰম্ভ হোৱা কাৰ্টুনৰ ধাৰাই পৰৱৰ্তী সময়ত 'ইণ্ডিয়ান পাঞ্চ' (১৮৫৯), 'ইণ্ডিয়ান কেৰি ভাৰি' (১৮৭২), 'অমৃত বজাৰ' (১৮৭২) আদিৰ মাজেৰে ভৱিষ্যতৰ বাটত খোজ থবলৈ সক্ষম হৈছে। অসমৰ প্ৰেক্ষাপটত এই ধাৰাটোৰ আৰম্ভণি হৈছিল 'আসাম ট্ৰিবিউন' আৰু 'দৈনিক অসম' কাকতৰ মাজেৰে। অসমৰ কাৰ্টুনৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰি ইন্দ্ৰ তালুকদাৰ, চম্পক বৰবৰা, ত্ৰৈলোক্য দত্ত, পুলক গগৈ, মহম্মদ ইউচুফ, চিৰঞ্জীৱ দত্ত, উৎপল তালুকদাৰ আদি কাৰ্টুনিষ্টে আগবঢ়াই অহা বৰঙণিৰ বৰ্ণনাইও 'গৰীয়সী'ৰ চিত্ৰকল্প শিতানৰ সৌষ্ঠৱ বঢ়াইছে।

**চলচ্চিত্ৰ ঃ**

চলচ্চিত্ৰ বা বোলছবি চমুকৈ অকল ছবি (ইংৰাজী ঃ Cinema বা Film) মূলতঃ স্থিৰ চিত্ৰৰ এটা ক্ৰম, যাক এটা বিশেষ প্ৰক্ৰিয়াৰে দৰ্শন কৰিলে গতিশীল ছবি দেখা যায়।[৬] গল্প, উপন্যাস, জীৱনী, বুৰঞ্জী আদিৰ লেখীয়া সাহিত্য আৰু চিত্ৰকলাৰ লেখীয়া সাহিত্যৰ ধাৰাবোৰে বাস্তৱ-কল্পনাৰ মিশ্ৰিত ছবি এখন পঢ়ুৱৈ নাইবা দৰ্শকৰ সন্মুখত দাঙি ধৰে সেইদৰে চলচ্চিত্ৰত দৃশ্য-শ্ৰাব্যৰ মাজেৰে বাস্তৱ-কল্পনাৰ গতিশীল চিত্ৰ দৰ্শকৰ সন্মুখত দাঙি ধৰে। চলচ্চিত্ৰত যিহেতু সংলাপ, সংগীত, চিত্ৰ, নৃত্য আদিৰ মাজেদি কাহিনী, বিভিন্ন ঘটনা-পৰিঘটনা, চৰিত্ৰৰ অভিব্যক্তি আদিক পৰিদৃশ্যমান কৰি দৰ্শকক প্ৰত্যক্ষদৰ্শী হোৱাৰ সুযোগ প্ৰদানৰ সুবিধা থাকে, সেয়েহে আন সাহিত্য বা শিল্পকলাৰ তুলনাত চলচ্চিত্ৰই স্থান, সময়ৰ পৰিধি ভাঙি সমাদৃত হ'বলৈ সক্ষম হৈছে। চলচ্চিত্ৰ

এখনৰ আঁৰত থকা বাৰ্তা, কলাকৌশল, বিভিন্ন দৃশ্য-শ্ৰাব্য মাধ্যমৰ প্ৰয়োগ আৰু প্ৰয়োজন প্ৰসংগ, চলচ্চিত্ৰ ধাৰাৰ জন্ম আৰু ক্ৰমবিকাশৰ গতি আদিৰ বিশ্লেষণ তথা পৰ্যালোচনা য'ত সন্নিৱিষ্ট হয়, তাক 'চলচ্চিত্ৰ সমালোচনা' বোলা হয়।

'গৰীয়সী'ৰ চলচ্চিত্ৰ শিতানত অসমীয়া কথাছবি সাহিত্যৰ জন্মলগ্ন আৰু বিকাশৰ গতিধাৰা, অসমীয়াকে আদি কৰি হিন্দী, ইংৰাজী ভাষাৰ বিভিন্ন কথাছবিৰ বিষয়বস্তু বিষয়ক সমালোচনা আদিয়ে স্থান লাভ কৰিছে। 'গৰীয়সী'ৰ প্ৰথম বছৰ চতুৰ্থ সংখ্যাত মুনীন বায়নৰ পৈণত হাতৰ পৰশত প্ৰকাশ পাইছিল ভবেন্দ্ৰনাথ শইকীয়াৰ 'আৱৰ্তন' শীৰ্ষক লেখা। ভবেন্দ্ৰনাথ শইকীয়া গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ আদি গুণাধিকাৰী হোৱাৰ উপৰিও চলচ্চিত্ৰ নিৰ্মাতা। 'সন্ধ্যাৰাগ' (১৯৭৭), 'অগ্নিস্নান' (১৯৮৫), 'অনিৰ্বাণ' (১৯৮৭), 'কোলাহল' (১৯৮৯) আদি কথাছবি নিৰ্মাণেৰে তেওঁ অসমীয়া চলচ্চিত্ৰ জগতখনক সমৃদ্ধিশালী কৰি তুলিছে। উল্লিখিত লেখাটোত 'আৱৰ্তন' কথাছবিখনত সন্নিৱিষ্ট অসমৰ গ্ৰাম্য সমাজখনত ক্ৰমাগতভাৱে বৃদ্ধি পাব ধৰা ভোগবাদৰ লিপ্সা, সামাজিক অৱক্ষয়, মানুহৰ মনোজগতৰ অস্থিৰতা আৰু হতাশা আদিৰ বাস্তৱ উপস্থাপন প্ৰসংগই স্থান পাইছে।

আলোচনীখনৰ ছেপ্টেম্বৰ ১৯৯৫ত প্ৰকাশ পাইছে ভুবন বৰুৱাৰ 'কথাছবি শিল্পীৰ শতবৰ্ষত জ্যোতি-স্মৰণ' শীৰ্ষক লেখা। লেখাটোত অসমীয়া কথাছবি জগতৰ বাটকটীয়া, শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ জাতীয় চেতনা, চলচ্চিত্ৰ নিৰ্মাণ আৰু কলাকৌশলত থকা দক্ষতা, 'জয়মতী' নিৰ্মাণৰ আঁৰৰ উদ্দেশ্য, ছবি নিৰ্মাণ কৰিবলৈ গৈ মুখামুখি হোৱা বাধা-বিঘিনি আৰু সমস্যা, অসমীয়া সমালোচক আৰু দৰ্শকৰ দৃষ্টিভংগীৰ ভিন্নতা আদিৰ প্ৰসংগই স্থান পাইছে। জ্যোতিপ্ৰসাদে আৰম্ভণি কৰা অসমীয়া কথাছবিৰ ধাৰাটোৱে বৰ্তমানত দেশ-বিদেশৰ পৰিধি অতিক্ৰম কৰি জনপ্ৰিয়তা লাভ কৰাৰ লগতে খ্যাতি বুটলিবলৈ সক্ষম হৈছে। তাৰপিছতো অসমীয়া ছবিৰ মানদণ্ডক লৈ একাংশ দৰ্শকৰ দৃষ্টিভংগী সলনি নোহোৱা, নঞৰ্থক মন্তব্যৰে উপচাই পেলোৱাৰ পৰিপ্ৰেক্ষিতত চলচ্চিত্ৰ নিৰ্মাতা তথা প্ৰযোজকগোষ্ঠীয়ে লোকচান ভৰিবলগীয়া হোৱা, অভিনয় আৰু কলা-কুশলীৰ লগত জড়িত শিল্পীসকলে লাভ কৰা তিক্ততাপূৰ্ণ অভিজ্ঞতা সম্পৰ্কীয় কথায়ো লেখাটোত গুৰুত্ব লাভ কৰিছে। প্ৰায় এটা শতিকা পূৰ্বে যিগৰাকী জ্যোতিপ্ৰসাদে অসমীয়া চলচ্চিত্ৰৰ ধাৰাটোক প্ৰতিষ্ঠা কৰি অসমীয়াক ন-শিল্পৰ পোহৰেৰে বাট দেখুৱাই গ'ল, সেইগৰাকী শিল্পীৰ সৃষ্টিৰাজি আৰু শিল্পকৰ্মৰ সাধনাক আজিৰ অসমীয়ায়ো যে উপযুক্ত মূল্য আৰু গুৰুত্ব দিয়াৰ উপলব্ধি কৰা নাই তাৰ বিষয়ে স্পষ্ট

ৰূপত বিবৃত হৈছে এনেদৰে—

> “ভাৰতীয় কথাছবি ইতিহাসত যি মৰ্যাদা ৰাজা হৰিশ্চন্দ্ৰ নাইবা আলমআৰাক দিয়া হৈছে ঠিক একেটা স্থানকে জ্যোতিপ্ৰসাদৰ জয়মতীয়ে লাভ কৰিলেহেঁতেন। কিন্তু আমাৰ দূৰদৃষ্টিহীনতা, সংৰক্ষণৰ বাবে প্ৰয়াসৰ অভাৱ, চোতালৰ আগৰ মুকুতা বুটলি থ'বলৈ চিৰকলীয়া অনীহা আদিৰ বাবে জ্যোতিপ্ৰসাদৰ মহৎ সৃষ্টিৰ আজি চিন-মোকাম নোহোৱা হ'ল। এতিয়া আমাৰ মন বেজাৰেৰে ভৰিলেও এই কথা প্ৰমাণ কৰিব নোৱাৰো যে বঙালী আৰু হিন্দুস্থানী ফিল্মৰ অস্বাভাৱিক উপাদানবোৰ একাষৰীয়াকৈ থৈ জ্যোতিপ্ৰসাদেহে বাস্তৱধৰ্মীভাৱে কথাছবি নিৰ্মাণ কৰাৰ প্ৰয়াস কৰি এক নতুন ধাৰাৰ প্ৰৱৰ্তক হোৱাৰ প্ৰয়াস কৰিছিল। (বৰুৱা, ভুবন। “কথাছবি শিল্পীৰ শতবৰ্ষত জ্যোতি-স্মৰণ”। *গৰীয়সী*, ছেপ্টেম্বৰ ১৯৯৫, পৃ.৯১)

আলোচনীখনত প্ৰকাশিত চলচ্চিত্ৰ বিষয়ক প্ৰবন্ধসমূহত বিষয়ৰ বৈচিত্ৰ্যতা সহজেই লক্ষ্য কৰিব পাৰি। মুনীন বায়নৰ ‘বছৰৰ বিদায়পৰত গ্ৰিফিথ, কুৰ'ছাৱা, ফেলিনী’ লেখাটিত গুৱাহাটী চিনে ক্লাৱৰ বিশ্ব চলচ্চিত্ৰ উৎসৱত প্ৰদৰ্শিত হোৱা ডি. ডব্লিউ, গ্ৰিদিথৰ কথাছবি ‘বাৰ্থ অৱ এ নেছন’, ছেৰ্গেই আইজেনষ্টাইনৰ ‘দ্যা বেটেলশ্বিপ পটেমকিন’, আকিৰা কুৰ'ছাৱাৰ ‘ইয়'জিম্বো’, ফ্ৰেডৰিকো ফেলিনীৰ ‘দ্য চিটি অব ৰমেন’, ষ্টেনলি কুব্ৰিকৰ ‘এ ক্লক ৱৰ্ক অৰেঞ্জ’ চলচ্চিত্ৰ সৃষ্টি আৰু ইয়াৰ নেপথ্যৰ আঁৰৰ কাহিনীৰ প্ৰাসংগিকতাক ফঁহিয়াই দেখুৱাইছে। ইলোৱা দাশগুপ্তৰ ‘ঋত্বিক কুমাৰ ঘটকৰ মাতৃতান্ত্ৰিক প্ৰৱণতা আধুনিক নাৰীবাদী চেতনাৰ পৰিপ্ৰেক্ষিতত’ (ডিচেম্বৰ ২০০৫, পৃ.৮৪-৮৮) শীৰ্ষক আলোচনাত চলচ্চিত্ৰ নিৰ্মাণৰ আঁৰৰ উদ্দেশ্য আৰু কলাকৌশল, চলচ্চিত্ৰৰ ক্ষেত্ৰখনলৈ ঘটকৰ অৱদান, ঘটকৰ চিনেমাত প্ৰাপ্ত মাতৃতান্ত্ৰিক প্ৰৱণতা আৰু নাৰীবাদী চিন্তাৰ উন্মেষৰ প্ৰাসংগিকতা বিচাৰ আদিৰ লগতে ‘নাগৰিক’, ‘অযান্ত্ৰিক’, বাড়ি থেকে পালিয়ে’, ‘মেঘে ঢাকা তাৰা’, ‘কোমল গান্ধাৰ’, ‘সুৱৰ্ণৰেখা’ আৰু ‘তিতাস একটি নদীৰ নাম’— এই সাতখন ছবিৰ কাহিনী আৰু বিষয়বস্তুগত দিশৰ চমু আলোচনা কৰিছে। উৎপল দত্তৰ ‘বহুশ্ৰুত কথাৰেই আকাংক্ষা আৰু সংকটৰ কাহিনী ঃ মেইনে গান্ধীকো নেহী মাৰা’ (ডিচেম্বৰ ২০০৫, পৃ.৮৪-৮৮) লেখাটিত জাহ্নু বৰুৱাৰ দ্বাৰা নিৰ্মিত আৰু পৰিচালিত তৃতীয়খন কথাছবি ‘মেইনে গান্ধীকো নেহী মাৰা’ ত প্ৰফেছৰ চৌধুৰীত মাজেৰে

দৃশ্যমান হোৱা আধুনিক মানুহৰ নিসংগতাময় জীৱন যাত্ৰা, চলচ্চিত্ৰ নিৰ্মাণত থকা জাহ্নু বৰুৱাৰ কাৰিকৰী দক্ষতা, ছবিখনৰ নামকৰণ আৰু ইয়াৰ তাৎপৰ্য ব্যাখ্যা আদি বিষয়ক কথাই স্থান পাইছে। দত্তৰেই 'শিখৰলৈ যাব বিচৰা যুৱকৰ কাহিনী' (মাৰ্চ ২০০৬, পৃ.৬৮-৬৯) শীৰ্ষক আন এটি লেখাত 'শিখৰ' নামৰ হিন্দী কথাছবিখনত দৃশ্যায়ন হোৱা প্ৰকৃতি আৰু মানুহৰ সংঘাত, পৰিৱৰ্তিত মানসিকতা আৰু মূল্যবোধ, ভোগবাদী শ্ৰেণীৰ ক্ষমতালিপ্সা, ছবিখনক বাস্তৱ ৰূপ দিয়াত চিত্ৰগ্ৰহণকাৰী অপূৰ্ব কুমাৰ বীৰৰ ভূমিকা আদিৰ উপৰিও দীঘলীয়া বৰ্ণনাই আনি দিয়া বিৰক্তিবোধ, চৰিত্ৰৰ বিকাশত ৰৈ যোৱা অসম্পূৰ্ণতা আদিৰ দৰে ত্ৰুটিবোৰক সমালোচনাত্মক দৃষ্টিৰে আলোচনালৈ অনা দেখা গৈছে। আলোচনীখনত অসমীয়া কথাছবিৰ সাম্প্ৰতিক স্থিতি আৰু ভৱিষ্যত বিষয়ক সামৰা আন এটি উল্লেখযোগ্য লেখা হৈছে— 'অসমীয়া চলচ্চিত্ৰৰ বজাৰ এখন আছেনে?' (নৱেম্বৰ ২০১০, পৃ.১০০-১০২) লেখাটিৰ লেখক ৰাজদ্বীপ। লেখাটিত ভাল চিনেমাৰ সংজ্ঞা, কথাছবিৰ সফলতা-বিফলতা নিৰ্ণিত কাৰক, অসমীয়া চিনেমাৰ বাণিজ্যিক ক্ষেত্ৰত দুৰৱস্থাৰ কাৰণ আদি দিশে স্থান পাইছে। লেখকে অসমীয়া চিনেমাৰ দুৰ্বলতাৰ কাৰণ আৰু তেনে আসোঁৱাহ দূৰ কৰি বজাৰ দখলৰ প্ৰসংগত মত দিছে এইদৰে—

> অসমীয়া চিনেমা উদ্যোগৰ দৃশ্যপট খুবেই দুখলগা। অসমীয়া চিনেমাৰ বজাৰখনো যথেষ্ট সৰু। অসমৰ বাহিৰে অসমীয়া চিনেমা ক'তো নচলে। আনকি অসমৰ বৰাক উপত্যকাত অসমীয়া চিনেমাৰ বিশেষ আদৰ নাই। শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দি আদি বিভিন্ন জিলাত অসমীয়া চিনেমাই সম্পূৰ্ণৰূপে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। গতিকে অসমীয়া চিনেমাৰ বজাৰখন অসমজুৰি আছে বুলি ক'ব নোৱাৰি। অসমীয়া চিনেমাৰ বজাৰ মাত্ৰ কেইখনমান জিলাৰ ভিতৰতে সীমাবদ্ধ। দৰ্শকৰ সংখ্যাও তুলনামূলকভাৱে কম। সেয়েহে অসমৰ চলচ্চিত্ৰ নিৰ্মাতাসকলে অধিক সতৰ্কভাৱে তথা সচেতনতাৰে ছবি এখন নিৰ্মাণৰ কামত হাত দিয়াটো অতি জৰুৰী। দৰ্শকৰ পছন্দ-অপছন্দ সন্দৰ্ভত সূক্ষ্মভাৱে পৰ্যালোচনা কৰা উচিত। কাৰণ আমাৰ বজাৰখন সৰু; ৰিস্ক বেছি....।
>
> (দ্বীপ, ৰাজ। "অসমীয়া চলচ্চিত্ৰৰ বজাৰ এখন আছেনে?"। *গৰীয়সী*, নৱেম্বৰ ২০১০, পৃ.১০১)

ক'ব পাৰি যে 'গৰীয়সী'ত প্ৰকাশিত 'চলচ্চিত্ৰ' শিতানটোয়ে চলচ্চিত্ৰ নিৰ্মাণ, কলাকৌশল, দৰ্শকৰ দৃষ্টিভংগী, বিভিন্ন চিনেমাৰ বিষয়বস্তুৰ আলোকপাত, অসমীয়া চিনেমা উদ্যোগটোৰ অতীত-ভৱিষ্যত আদি বিভিন্ন দিশৰ সতে পৰিচয় কৰাই দিবলৈ সক্ষম হৈছে।

**সাক্ষাৎকাৰ ঃ**

'গৰীয়সী'ৰ আন এটি উল্লেখযোগ্য শিতান 'সাক্ষাৎকাৰ'। পূৰ্বতে শইকীয়াই সম্পাদনা কৰা 'প্ৰকাশ' আলোচনীতো এই শিতানৰ প্ৰকাশ পাইছিল। অসমীয়া তথা সৰ্বভাৰতীয় পৰ্যায়ৰ বিভিন্ন সাহিত্যিকৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি 'গৰীয়সী'ৰ সম্পাদকসকলে আলোচনীখনত প্ৰকাশ কৰি আহিছে। আলোচনীখনৰ প্ৰথম সংখ্যাটোতেই 'ড° হীৰেন গোঁহাইৰ লগত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ অন্তৰংগ আলোচনা' নামেৰে সাক্ষাৎকাৰটি প্ৰকাশ পাইছিল। ইয়াৰ পৰৱৰ্তী সময়ত বিশিষ্ট নাট্যকাৰ তথা চলচিত্ৰ পৰিচালক উৎপল দত্ত, ভবেন্দ্ৰনাথ শইকীয়া, সীতাকান্ত মহাপাত্ৰ, ইউ. আৰ. অনন্তমূৰ্ত্তি, নিৰ্মল বৰ্মা, ফিলি গাৰ্ব, হোমেন বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, উমাকান্ত শৰ্মা, নৰকান্ত বৰুৱা আদি ব্যক্তিসকলৰ সাক্ষাৎকাৰ প্ৰকাশ পাইছে। এই সাক্ষাৎকাৰসমূহত সাম্প্ৰতিক অসমীয়া ভাষা-সাহিত্যৰ স্থিতি আৰু ভৱিষ্যত, সাহিত্যৰ গতি-প্ৰকৃতি, সমাজ ব্যৱস্থা আৰু পৰিৱৰ্তনগামিতাৰ প্ৰভাৱ, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ওপৰত অন্যান্য ভাৰতীয় আৰু বিশেষকৈ পাশ্চাত্যৰ প্ৰভাৱ, প্ৰাচীন সাহিত্যৰ সাম্প্ৰতিক প্ৰেক্ষাপটত অধ্যয়নৰ প্ৰাসংগিকতা নিৰূপণ, বিশ্ব সাহিত্যৰ অধ্যয়নৰ গুৰুত্বৰ লগতে অসমৰ সামাজিক, বৌদ্ধিক, শৈক্ষিক, ৰাজনৈতিক আদি প্ৰেক্ষাপট আৰু এইবোৰৰ সাহিত্যৰ ওপৰত প্ৰভাৱ আদি প্ৰসংগই স্থান লাভ কৰিছে।

**গল্প ঃ**

আধুনিক অসমীয়া চুটিগল্পৰ সমৃদ্ধি আৰু বৈচিত্ৰ্য নিৰ্মাণত 'গৰীয়সী'য়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। আলোচনীখনৰ প্ৰতিটো সংখ্যাতে তিনিৰ পৰা পাঁচটাকৈ আৰু পূজা, বিহু আদি সংখ্যাত কুৰিটাতকৈ অধিক গল্পৰ প্ৰকাশেৰে অসমীয়া গল্পৰ ক্ষেত্ৰখনলৈ 'গৰীয়সী'য়ে প্ৰথম সোতৰটা বছৰতে এক হেজাৰমান গল্প আগবঢ়াইছে। পূৰ্বৰ ৰামধেনু, প্ৰান্তিক, প্ৰকাশ, মণিদীপ আদি আলোচনীত

নিয়মীয়াকৈ গল্প লিখি অহা নিৰুপমা বৰগোহাঞি, শীলভদ্ৰ, মনোৰমা দাস মেধি, অৰুণ গোস্বামী, ধ্ৰুৱজ্যোতি বৰা, লক্ষ্মীনন্দন বৰা, যোগেশ দাস, হৰেকৃষ্ণ ডেকা, জ্যোতিষ শিকদাৰ আদিয়ে গল্প ৰচনা অব্যাহত ৰখাৰ লগতে অনুৰাধা শৰ্মা পূজাৰী, মিনতি চৌধুৰী, অৰূপা পটংগীয়া কলিতা, মনোজ গোস্বামী, জেহিৰুল হুছেইন, অৰূপা বৰুৱা, শিৱানন্দ কাকতি, ৰবীন শৰ্মা, পৰমানন্দ ৰাজবংশী, বিতোপন বৰবৰা, মাইনী মহন্ত, অৰুন্ধতী দত্ত, ফুল গোস্বামী, যদু বৰপূজাৰী, চিত্ৰলতা ফুকন, চন্দ্ৰধৰ চমুৱা, পূৰবী বৰমুদৈ, পদ্ম পাটৰ, ভাৰতী বৰুৱা, বন্তি বৰপূজাৰী, অৱনী শৰ্মা আদিয়ে 'গৰীয়সী'ৰ গল্প ক্ষেত্ৰখনক সমৃদ্ধ কৰিছে।

**নাটক ঃ**

'গৰীয়সী'ৰ পাতত নাটক ৰচনাৰ ধাৰাটোৱেও বিশেষ গতি লাভ কৰিছিল। দৃশ্য আৰু পঠন- উভয় মাধ্যমেৰে মনোমুগ্ধ কৰি ৰাখিব পৰা গুণৰ বাবে সাহিত্যৰ ক্ষেত্ৰখনত এইবিধ সাহিত্যৰ অন্যতম স্থান আছে। 'গৰীয়সী'ৰ পাতত অৰুণ গোস্বামীৰ 'জনমভূমিৰ ছবি' আৰু 'অন্য এক অধ্যায়'; ভূপেন গোস্বামীৰ 'ক্ৰান্তিকালৰ গদ্য', 'ফেঁহুজালি' আৰু 'কুশল কোঁৱৰ'; অৰুণ শৰ্মাৰ 'অদিতিৰ আত্মকথা' আৰু 'চিত্ৰলেখা' আদি কোনোখন এটি সংখ্যাতেই পূৰ্ণাংগ ৰূপত আৰু কোনোখন ধাৰাবাহিকভাৱে প্ৰকাশ পাইছে। নাটসমূহত বিশেষকৈ সাম্প্ৰতিক সময়ৰ পৰিৱৰ্তিত সমাজ ব্যৱস্থা আৰু প্ৰমূল্যবোধ, যান্ত্ৰিকতাময়তাত আবদ্ধ হৈ পৰিব ধৰা মানুহৰ জীৱন যাত্ৰা আৰু মনৰ দ্বন্দ্ব, চিন্তাৰ পৰিৱৰ্তনগামিতা, অস্তিত্বৰ সংকট, ইতিহাস চেতনা, স্বদেশপ্ৰেম আৰু দায়িত্ববোধ আদি দিশে বিস্তাৰ লাভ কৰিছে।

**'শ্ৰদ্ধাৰ্ঘ্য', 'বসন্ত' আৰু 'শাৰদীয় বিশেষ' সংখ্যা ঃ**

'গৰীয়সী'ৰ আন এক উল্লেখযোগ্য দিশ হৈছে- 'শ্ৰদ্ধাৰ্ঘ্য'ৰ লগতে 'বসন্ত' আৰু 'শাৰদীয় বিশেষ' সংখ্যাসমূহ। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনৰ কোনো কাণ্ডাৰীৰ মৃত্যু হ'লে পৰৱৰ্তী সময়ত ব্যক্তিগৰাকীৰ নামত 'গৰীয়সী'ৰ একোটা সংখ্যা শ্ৰদ্ধাৰ্ঘ্য সংখ্যাৰূপে এনে বিশেষ সংখ্যাসমূহ প্ৰকাশ কৰা হৈছিল। 'গৰীয়সী'ৰ প্ৰথম বছৰ, দ্বিতীয় সংখ্যাটোৰ পৰাই এই ধাৰাটোৰ

আৰম্ভণি হৈছিল। এই সংখ্যাটো ‘লক্ষ্মীনাথ বেজবৰুৱা শ্ৰদ্ধাৰ্ঘ্য’ সংখ্যাৰূপে প্ৰকাশ পাইছিল। ইয়াৰোপৰি শ্ৰদ্ধাৰ্ঘ জ্যোতিপ্ৰসাদ (জানুৱাৰী ১৯৯৪), ড° ভবেন্দ্ৰনাথ শইকীয়াঃ শ্ৰদ্ধাৰ্ঘ (নৱেম্বৰ, ২০০৩), চন্দ্ৰপ্ৰসাদ শইকীয়া শ্ৰদ্ধাৰ্ঘ (নৱেম্বৰ, ২০০৬), জ্যোতিপ্ৰসাদ জন্ম-শতবৰ্ষ সংখ্যা অৰ্ঘ্য (জানুৱাৰী, ২০০৩), জ্যোতি-অৰ্ঘ্য (জানুৱাৰী, ২০০৯) মহিম বৰাৰ জীৱন আৰু কৃতি (জানুৱাৰী, ২০০৭), শ্ৰদ্ধাৰ্ঘ ঃ ৰাম গোস্বামী, চন্দ্ৰপ্ৰসাদ শইকীয়া (আগষ্ট, ২০০৭), বিষ্ণুপ্ৰসাদ ৰাভা জন্ম শতবাৰ্ষিকী অৰ্ঘ্য (ডিচেম্বৰ, ২০০৭), বিৰিঞ্চি কুমাৰ বৰুৱা জন্ম শতবৰ্ষ পূৰ্ব অৰ্ঘ্য (মে’, ২০০৮), ড° ভূবনমোহন শ্ৰদ্ধাৰ্ঘ্য (জুন, ২০০৮) আদি নামেৰে প্ৰকাশিত সংখ্যাসমূহত বিশেষ ব্যক্তিগৰাকীৰ জীৱনাদৰ্শ, কৰ্ম, সাহিত্যৰাজিৰ মূল্যাংকনৰ লগতে ব্যক্তিজনৰ সান্নিধ্য লাভ কৰা লোকসকলৰ অনুভৱ প্ৰসংগই বিশেষ স্থান লাভ কৰিছে। তাৰোপৰি প্ৰতি বৰ্ষৰ এপ্ৰিল আৰু অক্টোবৰ মাহৰ সংখ্যা দুটা **‘বসন্ত উৎসৱ সংখ্যা’** আৰু **‘শাৰদীয় উৎসৱ সংখ্যা’** ৰূপে প্ৰকাশ পাই আহিছে। এনে বিশেষ সংখ্যাসমূহত বিহুৰ প্ৰাসংগিকতা আৰু পৰিৱৰ্তনগামিতা, বসন্ত আৰু প্ৰকৃতিৰ উৰ্বৰতাৰ সম্পৰ্ক, বসন্ত আৰু শাৰদীয় অনুভৱ, দেৱী দুৰ্গাৰ পূজা-উপাসনাৰ পদ্ধতি, দুৰ্গাৰ মাহাত্ম্য আৰু বিশ্বাস আদি বিভিন্ন লেখাই স্থান পাইছে। তাৰোপৰি এই সংখ্যা দুটা ‘কবিতা’ আৰু ‘গল্প’ বিশেষ সংখ্যা হিচাপে প্ৰকাশ পাইছে।

**শিতান বহিৰ্ভূতদিশ হিচাপে স্থান দিব পৰা ‘গৰীয়সী’ৰ এটা বিশেষ প্ৰসংগ হৈছে ‘বিজ্ঞাপন’। আলোচনীসমূহৰ জন্ম আৰু পৰ্যায়কালৰ লগত বিজ্ঞাপনৰ প্ৰসংগ ওতঃপ্ৰোতভাৱে জড়িত থাকে যদিও আলোচনী বিষয়ক প্ৰায়বোৰ আলোচনাতেই এই দিশটো সদায়ে উপেক্ষিত হৈ ৰোৱা দেখা যায়। বিজ্ঞাপনসমূহ একপ্ৰকাৰৰ প্ৰচাৰমূলক সাহিত্য।** আলোচনী এখন প্ৰকাশৰ আঁৰত বিজ্ঞাপনসমূহৰ যথেষ্ট প্ৰভাৱ আছে। আলোচনী এখনৰ ছপা খৰচৰ লগতে আন বিভিন্ন কাৰিকৰী দিশত, প্ৰকাশনৰ লগত জড়িত বিষয়ববীয়া আৰু কৰ্মচাৰীৰ দৰমহা, পৰিবহন খৰচ আদি আলোচনীখনৰ পাতত প্ৰকাশিত বিভিন্ন কোম্পানী, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান আদিৰ বিজ্ঞাপনৰ প্ৰচাৰৰ পৰাই সংগ্ৰহ হয়। কিন্তু অসমৰ নিচিনা প্ৰেক্ষাপটত প্ৰান্তীয় আলোচনীৰ ভৱিষ্যত তথা আয়ুসৰ সময়সীমা অতি তাকৰ। ইয়াৰ মূল কাৰণেই হৈছে আৰ্থিক সংকট।

আলোচনীসমূহৰ প্ৰকাশ, পৰিবহন আদিত যি সামগ্ৰিক খৰচ হয়, তাৰ তুলনাত আলোচনীখন বিক্ৰীৰ অন্ততঃ লাভ কৰা মূল্য অতি নগন্যমানৰ। এনে পৰিস্থিতিত প্ৰান্তীয়, ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ যিকোনো আলোচনীয়েই বিজ্ঞাপনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। 'গৰীয়সী'ৰ প্ৰকাশৰ আঁৰতো এনে বিজ্ঞাপনৰ যথেষ্ট প্ৰভাৱ আছে। সাহিত্যালোচনীখনৰ বিভিন্ন পৃষ্ঠাত ৰং-বিৰঙী ৰূপত প্ৰকাশিত ৰত্ন কুবেৰ, এছপোলিন, পুষ্প জুৱেলাৰী, এগমাৰ্ক নিভাঁজ সৰিয়হৰ তেল আৰু মছলা, শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভবনৰ ঔষধ আদিৰ লগতে বনলতা প্ৰকাশন, জাগৰণ সাহিত্য প্ৰকাশন, নীলকণ্ঠ বুক হাউচ, জ্যোতি প্ৰকাশন, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্ প্ৰকাশন, বাণী মন্দিৰ প্ৰকাশন আদি প্ৰকাশনগোষ্ঠীৰ উপৰিও কৃষি বিভাগ ঃ অসম, গড়কাপ্তানি বিভাগ ঃ অসম, গ্ল'বৈল হস্পিতেল আৰু চাৰ্জাৰী, Oil India Limited, State Bank of India, Inland Couriers (P) Ltd আদি চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিভাগ-প্ৰতিষ্ঠানৰ বিজ্ঞাপনৰ অন্তৰ্ভুক্তিয়ে এনে কথাকে প্ৰতীয়মান কৰি আহিছে।

এনেদৰে 'গৰীয়সী'ৰ সম্পাদকসকলে সমাজ-সংস্কৃতিৰ অনুকূলে পাঠকৰ ৰুচিৰ উপযোগীকৈ গল্প, কবিতা, উপন্যাস, প্ৰবন্ধ, চিত্ৰশিল্প, চলচ্চিত্ৰ, গ্ৰন্থসমালোচনা আদি বিবিধ শিতানেৰে 'গৰীয়সী'ৰ বিষয়বস্তুক সজাইছে। প্ৰচ্ছদ আৰু অংগসজ্জাই হওক অথবা বিষয়বস্তু আৰু ভাষাশৈলীয়েই হওক - আলোচনীখনৰ বৌদ্ধিক আৰু বিদ্যায়তনিক গাম্ভীৰ্য যাতে অক্ষুণ্ণ থাকে, সেই দিশলৈ সম্পাদকগোষ্ঠীয়ে সততে দৃষ্টি ৰাখিছে। সাহিত্য আালোচনী হিচাপে 'গৰীয়সী'ত নৱৰসসমৃদ্ধ বিষয়ে স্থান লাভ কৰিছে, ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সাহিত্যৰ মুক্ত চিন্তাই দৰ্শন দিছে, নতুন লেখকৰ প্ৰতিভাক উৎসাহিত কৰিব পৰাকৈ এখন মঞ্চ নিৰ্মাণ কৰিছে আৰু ভাষা তথা শৈলীৰ ক্ষেত্ৰতো নতুনত্বৰ বাট কাটিছে। একে সময়তে গৱেষণামূলক সমীক্ষা, পাঠ-বিশ্লেষণ, প্ৰবন্ধ, সময়োপযোগী যুগৰ চিন্তাশীল উপস্থাপন, নব্য দৃষ্টিকোণ, বিকল্প চিন্তাধাৰাৰ পৰিচ্ছন্ন আৰু যুক্তিপূৰ্ণ প্ৰকাশ আদিৰে 'গৰীয়সী'ৰ প্ৰকাশিত সাহিত্যসমগ্ৰৰ বিষয়বস্তুৱে আলোচনীখনৰ বৌদ্ধিক আয়তনকো সম্ভ্ৰমপূৰ্ণ আৰু ওজস্বী কৰি তুলিছে। এনেদৰে 'গৰীয়সী' আলোচনীত প্ৰকাশিত সাহিত্যসমগ্ৰৰ বিষয়বস্তু সম্পৰ্কে এটা চমু আভাস দিয়াৰ পিছত আমি আলোচনীখনত প্ৰকাশিত উপন্যাসসমগ্ৰৰ (১৯৯৩-২০১০) ভাষা সম্পৰ্কে আলোচনা কৰিম।

**প্ৰসংগটোকা ঃ**

১. দাস, ৰঞ্জিত। *চন্দ্ৰপ্ৰসাদ শইকীয়াৰ মণিদীপৰ পৰা গৰীয়সীলৈ,* পৃ.২১২।

২. বৰা, লীলাৱতী শইকীয়া। "ৰাভা-ভাষা সাহিত্যৰ তথ্যপূৰ্ণ আলোচনা"। *গৰীয়সী,* আগষ্ট ১৯৯৮, পৃ.৯৪।

৩. ঠাকুৰ, নগেন (সম্পা.)। *এশ বছৰৰ অসমীয়া উপন্যাস,* পৃ.১৭।

৪. গোস্বামী, দীনেশ চন্দ্ৰ। "মেলেৰিয়াৰ ছিটা ঃ বিজ্ঞানীৰ নিস্বাৰ্থ অৱদান"। *গৰীয়সী,* ছেপ্টেম্বৰ ১৯৯৫, পৃ.৮৭।

৫. https://as.mwikipedia.org/wiki/ *চিত্ৰাঙ্কন অসমীয়া ৱিকিপিডিয়া,* 17 march 2025 at 10.33 am

৬. https://as.wikipedia.org. *চলচ্চিত্ৰ- অসমীয়া ৱিকিপিডিয়া,* 21 march 2025 at 10.58 pm